সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩২ বছৰৰ এক অবিৰত যাত্ৰা...

গুৱাহাটীৰ পৰা প্ৰকাশিত নিভীক সাপ্তাহিক

ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved

Postal Redg. No. GH- 098/2012-17

৩২ বছৰ, ৪৪ সংখ্যা, ১৪ কাতি , ৰবিবাৰ,১৪৩৩ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪

RNI No.53883/94. GHY- 781025. Vol. 32: Issue No. 44 Date of Publication- 1 November 2026 Rs. 10.00/-

প্ৰ'টন বিম থেৰাপী কেন্দ্ৰ স্থাপনৰ বাবে আইবিএৰে চুক্তি স্বাক্ষৰ ৰাজ্য চৰকাৰৰ



ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ চিকিৎসা খণ্ডৰ বাবে এক নতুন অধ্যায়ৰ আৰম্ভণি । উন্নত, সুলভ আৰু মানৱীয় স্বাস্থ্যসেৱা প্ৰতিগৰাকী নাগৰিকৰ কাষলৈ লৈ যোৱাৰ দিশত এক উল্লেখযোগ্য পদক্ষেপ হিচাপে অসমে কৰ্কট ৰোগৰ চিকিৎসা সেৱাত এক ঐতিহাসিক পদক্ষেপ গ্ৰহণ কৰে। শনিবাৰে দিছপুৰস্থিত লোকসেৱা ভৱনৰ সভাকক্ষত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত অসম চৰকাৰ আৰু আই বি এ পাৰ্টিকল থেৰাপী ইণ্ডিয়া প্ৰাইভেট লিমিটেডৰ মাজত গুৱাহাটীত অত্যাধুনিক প্ৰ'টন বিম থেৰাপী কেন্দ্ৰ স্থাপনৰ বাবে এক ঐতিহাসিক চুক্তি স্বাক্ষৰিত হয়। অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ত প্ৰ'টন বিম থেৰাপী কেন্দ্ৰ স্থাপনৰ বাবে আজি স্বাক্ষৰিত চুক্তিখনে উন্নত কৰ্কট ৰোগৰ চিকিৎসা সেৱাৰ ক্ষেত্ৰত অসমৰ যাত্ৰাত এক গুৰুত্বপূৰ্ণ অধ্যায়ৰ সূচনা কৰিলে। সফলতাৰ এই গুৰুত্বপূৰ্ণ মুহূৰ্তত মুখ্যমন্ত্ৰীয়ে সমগ্ৰ অসমবাসীক আন্তৰিক অভিনন্দন জ্ঞাপন কৰে। ভাষণত তেওঁ কয়- অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বাবে কৰ্কট ৰোগ এক গুৰুত্বপূৰ্ণ স্বাস্থ্যজনিত প্ৰত্যাহ্বান। প্ৰ'টন বিম থেৰাপী বৰ্তমানৰ বিকিৰণ চিকিৎসা পদ্ধতিসমূহৰ ভিতৰত অন্যতম নিখুঁত পদ্ধতি। এই পদ্ধতিত প্ৰ'টন ৰশ্মি অতি সূক্ষ্মভাৱে টিউমাৰক লক্ষ্য কৰি প্ৰয়োগ কৰা হয়। ৰশ্মি টিউমাৰৰ ভিতৰতে ৰখাব পৰা যায় বাবে ইয়াৰ চাৰিওফালে থকা সুস্থ অংগ আৰু কলাসমূহ বিকিৰ্ণৰ প্ৰভাৱৰ পৰা যথাসম্ভৱ সুৰক্ষিত থাকে। মগজু, মেৰুদণ্ড, চকু, মুখ আৰু ডিঙিৰ কিছুমান কৰ্কট ৰোগৰ চিকিৎসাত এই পদ্ধতি বিশেষভাৱে উপযোগী। খাদ্যনলী, হাঁওফাঁও, যকৃত আৰু স্তনৰ কৰ্কট ৰোগত আক্ৰান্ত ৰোগীসকলেও ইয়াৰ পৰা উপকৃত হ'ব পাৰে। অসম আৰু উত্তৰ-পূৰ্বাঞ্চলত এনেধৰণৰ কৰ্কট ৰোগ তুলনামূলকভাৱে অধিক দেখা পোৱা যায় বাবে এই প্ৰ'টন বিম থেৰাপীৰ সা-সঁজুলি ৰাজ্য চৰকাৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ত আনিবলৈ যি প্ৰচেষ্টা গ্ৰহণ কৰিছে, ইয়ে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহক বিশেষভাৱে উপকৃত কৰিব। কৰ্কট ৰোগত আক্ৰান্ত শিশুৰ চিকিৎসাৰ ক্ষেত্ৰত এই পদ্ধতি বিশেষভাৱে উপকাৰী। শিশুৰ অংগসমূহ বিকিৰণৰ প্ৰতি অধিক সংবেদনশীল। প্ৰ'টন থেৰাপীয়ে মগজু, *(দুই পৃষ্ঠাত চাওক)*

অসম আৰক্ষীৰ ২৩ বিষয়া- জোৱানলৈ গৃহমন্ত্ৰীৰ পদক




ৰঙিলী বাৰ্ত্তাসেৱা- দেশৰ কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে ২০২৬ বৰ্ষৰ কেন্দ্ৰীয় গৃহ মন্ত্ৰী দক্ষতা পদক ঘোষণা কৰে । দেশৰ বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ লগতে কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী (চিএপিএফ)/কেন্দ্ৰীয় আৰক্ষী সংগঠন (চিপিঅ')ৰ ৪৯০ গৰাকী বিষয়া তথা জোৱানে এই বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। বিভিন্ন অভিযানত উৎকৃষ্টতা, তদন্তত অসাধাৰণ সেৱা, ব্যতিক্ৰমী প্ৰদৰ্শন, অদম্য আৰু সাহসী চোৰাংচোৱা সেৱা, ফৰেনছিক বিজ্ঞানৰ ক্ষেত্ৰত আগবঢ়োৱা সেৱাৰ বাবে এই বঁটা প্ৰদান কৰা হৈছে। প্ৰতি বছৰে ৩১ অক্টোবৰত চৰ্দাৰ বল্লভভাই পেটেলৰ জন্মদিন উপলক্ষে এই পদক ঘোষণা কৰা হয়। আনহাতে বিভিন্ন ক্ষেত্ৰত দেখুওৱা পাৰদৰ্শিতা আৰু শ্ৰেষ্ঠতম সেৱাৰ বাবে অসম আৰক্ষীৰ ২৩গৰাকী শীৰ্ষ আৰক্ষী বিষয়া- *(দহ পৃষ্ঠাত চাওক)*

স্থানীয় বিধায়কৰে সমন্বয় ৰক্ষা কৰিবলৈ মন্ত্ৰীক আহ্বান মুখ্যমন্ত্ৰীৰ

ৰঙিলী বাৰ্ত্তাসেৱা- সমন্বিত, অংশগ্ৰহণমূলক আৰু নাগৰিককেন্দ্ৰিক প্ৰশাসন ব্যৱস্থাৰ ধাৰণাক অধিক গতিশীল কৰি তোলাৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰতিগৰাকী মন্ত্ৰীলৈ শেহতীয়াকৈ এক জৰুৰী বাৰ্তা প্ৰেৰণ কৰিছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই অসম মন্ত্ৰীসভাৰ সকলো মন্ত্ৰীকে কোনো বিধানসভা সমষ্টিত কৰা চৰকাৰী ভ্ৰমণ আৰু চৰকাৰী কাৰ্যসূচীৰ সময়ত সংশ্লিষ্ট সমষ্টিৰ বিধায়কগৰাকীৰ সৈতে যোগাযোগ আৰু সমন্বয় অধিক শক্তিশালী কৰিবলৈ আহ্বান জনাইছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই সতীৰ্থ মন্ত্ৰীসকললৈ যোৱা ৩০ অক্টোবৰত লিখা এখন পত্ৰযোগে উল্লেখ কৰিছে যে কোনো সমষ্টিলৈ কৰা ভ্ৰমণৰ বিষয়ে স্থানীয় বিধায়কগৰাকীক আগতীয়াকৈ অৱগত কৰিব লাগিব মন্ত্ৰীসকলে। সেয়াই নহয়, কোনো মন্ত্ৰীয়ে ভাগ ল'বলগীয়া ৰাজহুৱা কাৰ্যসূচী আৰু চৰকাৰী অনুষ্ঠানত অংশগ্ৰহণৰ বাবে স্থানীয় বিধায়ক গৰাকীক আগতীয়াকৈ আমন্ত্ৰণ *(পাঁচ পৃষ্ঠাত চাওক)*

ৰঙিয়াত ভুৱা ছীল- মোহৰসহ দালালক আটক



ৰঙিলী বাৰ্ত্তাসেৱা- কামৰূপ জিলাৰ ৰঙিয়াত মাটিৰ নথি প্ৰস্তুত কৰাৰ নামত সংঘটিত হোৱা এক ভয়ংকৰ জালিয়াতিৰ ঘটনা পোহৰলৈ আহিছে। ১৬৮টা ভুৱা ছীল-মোহৰ, বহু জাল নথি-পত্ৰ, আৰু নগদ ৰলাখ ৰৰহাজাৰ টকাসহ প্ৰশাসনৰ জালত পৰিছে অভিযুক্ত মাটিৰ দালাল আইদুল ইছলাম। জানিব পৰা মতে এক গোপন সূত্ৰৰ পম খেদি ৰঙিয়া সমজিলা আয়ুক্ত নৱজিত পাঠকে অতৰ্কিতে অভিযান চলাই অভিযুক্ত আইদুল ইছলামক আটক কৰে। অভিযোগ অনুসৰি আইদুলে জিলা ন্যায়াধীশৰ লগতে ৰাজ্যৰ কেই বাগৰাকীও এচিএছ বিষয়াৰ নামত ভুৱা ছীল-মোহৰ ব্যৱহাৰ কৰি জাল চহীযুক্ত নথি-পত্ৰ প্ৰস্তুত কৰি দীৰ্ঘদিন ধৰি প্ৰৱঞ্চনাৰ জাল *(দুই পৃষ্ঠাত চাওক)*

২০২৭ চনৰ ২৫ জানুৱাৰীৰ পৰা আৰম্ভ হ'ব ৰাষ্ট্ৰীয় লোকপিয়ল



ৰঙিলী বাৰ্ত্তাসেৱা- কেন্দ্ৰীয় চৰকাৰে বহু প্ৰতীক্ষিত ৰাষ্ট্ৰীয় লোকপিয়লৰ দিন ঘোষণা কৰিছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে জাৰি কৰা আনুষ্ঠানিক অধিসূচনা অনুসৰি সমগ্ৰ দেশতে ২০২৭ চনৰ ২৫ জানুৱাৰীৰ পৰা ২৮ ফেব্ৰুৱাৰীলৈকে চলিব লোকপিয়লৰ প্ৰক্ৰিয়া। লোকপিয়লৰ এই প্ৰক্ৰিয়াত পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি বৰফাবৃত অঞ্চল আৰু নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া ৰাজ্যসমূহক এই সময়সূচীৰ পৰা পৃথকে ৰখা হৈছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে প্ৰকাশ কৰা আনুষ্ঠানিক অধিসূচনা অনুসৰি ২০২৭ চনৰ ২৫ জানুৱাৰীৰ পৰা হ'বলগা লোকপিয়লৰ প্ৰক্ৰিয়া অনুসৰি ২৮ ফেব্ৰুৱাৰীলৈকে চলিব ঘৰে ঘৰে গণনা। আনহাতে ১০ জানুৱাৰীৰ পৰা আৰম্ভ হ'ব স্ব-গণনা। *(দুই পৃষ্ঠাত চাওক)*

প্ৰ'টন বিম থেৰাপী কেন্দ্ৰ স্থাপনৰ


হৃদযন্ত্ৰ আৰু মেৰুদণ্ডৰ দৰে গুৰুত্বপূৰ্ণ অংগসমূহ সুৰক্ষিত ৰখাত সহায় কৰিব পাৰে। ইয়াৰ ফলত দীৰ্ঘম্যাদী জটিলতাৰ আশংকা হ্ৰাস পোৱাৰ লগতে পৰৱৰ্তী জীৱনত নতুনকৈ কৰ্কট ৰোগত আক্ৰান্ত হোৱাৰ সম্ভাৱনাও হ্ৰাস পাব। কৰ্কট ৰোগৰ পৰা আৰোগ্য লাভ কৰা শিশুসকলৰ জীৱনৰ মান উন্নত কৰাত এই চিকিৎসা পদ্ধতিয়ে বিশেষ ভূমিকা পালন কৰিব। বৰ্তমানলৈকে ভাৰতত মাত্ৰ দুটা কেন্দ্ৰতহে প্ৰ'টন থেৰাপীৰ সুবিধা উপলব্ধ হৈছে। এই কেন্দ্ৰ দুটা হৈছে মুম্বাইৰ টাটা মেম'ৰিয়েল আৰু চেন্নাইৰ এপ'ল' হাস্পতাল। সমগ্ৰ বিশ্বতে এনে কেন্দ্ৰৰ সংখ্যা প্ৰায় ১৩০টা। এই কেন্দ্ৰ স্থাপনৰ জৰিয়তে নিজা ৰাজহুৱা স্বাস্থ্যসেৱা ব্যৱস্থাৰ অধীনত এই উন্নত চিকিৎসা আগবঢ়োৱা দেশৰ প্ৰথমখন চৰকাৰ হিচাপে অসম পৰিগণিত হ'ব। এয়া অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাবে এক উল্লেখযোগ্য সাফল্য। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়-এই প্ৰকল্পত মুঠ প্ৰায় ৬০০ কোটি টকা বিনিয়োগ কৰা হ'ব। ইয়াৰে ৩১৫ কোটি টকা বিশ্ব বেংকৰ ঋণ হিচাপে লাভ কৰা হ'ব আৰু এই ঋণৰ প্ৰায় ২৭০ কোটি টকা কেন্দ্ৰীয় চৰকাৰে ওভতাই দিব। ক'ভিড মহামাৰীৰ সময়ত অসমৰ ৰাইজে অসম আৰোগ্য নিধিলৈ অত্যন্ত সহৃদয়তাৰে আগবঢ়োৱা অনুদান অসম চৰকাৰে ক'ভিডকালীন সময়ত ৰাইজৰ বাবে মুকলিভাৰে খৰচ কৰাৰ পিছতো বেংকত সুদসহ সঞ্চয় হৈ থকা প্ৰায় ৬০ কোটি টকা এই প্ৰকল্পটোলৈ আগবঢ়োৱাৰ উপৰি বাকী প্ৰয়োজনীয় সমগ্ৰ পুঁজি ৰাজ্য চৰকাৰে বহন কৰিব। কেন্দ্ৰটোত ProteusONE ব্যৱস্থা স্থাপন কৰা হ'ব। এই ব্যৱস্থাটোৰ বাবে তুলনামূলকভাবে কম ঠাইৰ প্ৰয়োজন হয় আৰু ইয়াৰ উন্নত কাৰিকৰী সক্ষমতাই নিখুঁত চিকিৎসা প্ৰদানৰ লগতে ৰোগীৰ বাবে চিকিৎসা লাভৰ সুবিধাও বৃদ্ধি কৰিব। এই গুৰুত্বপূৰ্ণ পদক্ষেপত সহযোগিতা আগবঢ়োৱাৰ বাবে মুখ্যমন্ত্ৰীয়ে বিশ্ব বেংকৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ কয় যে এই অংশীদাৰিত্বই স্বাস্থ্যসেৱাৰ আন্তঃগাঁথনি শক্তিশালী কৰা আৰু উন্নত চিকিৎসা সেৱা অধিক সুলভ কৰি তোলাৰ ক্ষেত্ৰত উমৈহতীয়া দায়বদ্ধতাক প্ৰতিফলিত কৰিছে। এই প্ৰকল্পৰ এক গুৰুত্বপূৰ্ণ অংশ হ'ব বিশেষভাবে প্ৰশিক্ষিত মানৱ সম্পদ গঢ়ি তোলা। চুক্তি অনুসৰি চিকিৎসক, চিকিৎসা বিজ্ঞানী, কাৰিকৰী কৰ্মচাৰী আৰু অন্যান্য প্ৰয়োজনীয় কৰ্মীসকলক আই বি এৰ জৰিয়তে বিশেষ প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। তেওঁ লগতে জানিবলৈ দিয়ে যে কেন্দ্ৰটো কাৰ্যক্ষম হোৱাৰ পূৰ্বে প্ৰয়োজনীয় চিকিৎসা কৰ্মীসকলক প্ৰস্তুত কৰি তুলিবলৈ ৰাজ্য চৰকাৰে মুম্বাইৰ টাটা মেম'ৰিয়েল চেণ্টাৰৰ সৈতেও যোগাযোগ কৰিছে। টাটা ট্ৰাষ্টৰ সৈতে অংশীদাৰিত্বৰে ৰাজ্য চৰকাৰে অসম কৰ্কট চিকিৎসা প্ৰতিষ্ঠান গঠন কৰি ৰাজ্যজুৰি কৰ্কট ৰোগৰ চিকিৎসাৰ বাবে তিনিস্তৰীয় চিকিৎসালয়ৰ এটা নেটৱৰ্ক গঢ়ি তোলাৰ পদক্ষেপ গ্ৰহণ কৰিছে। এই আঁচনিৰ অধীনত ৰাজ্যৰ বিভিন্ন জিলাত মুঠ ১৭খন কৰ্কট ৰোগৰ চিকিৎসালয় স্থাপন কৰা হৈছে। ইয়াৰে গুৱাহাটীৰ ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠানসহ ৰৱখন চিকিৎসালয় ইতিমধ্যে কাৰ্যক্ষম হৈছে। বাকী ৫খন চিকিৎসালয়ো আগন্তুক এবছৰৰ পৰা দুবছৰৰ ভিতৰত কাৰ্যক্ষম হৈ উঠিব বুলি আশা কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে পুনৰ কয়- অসম কৰ্কট চিকিৎসা প্ৰতিষ্ঠানৰ নেটৱৰ্কে ভুটান চৰকাৰৰ বাবেও কৰ্কট ৰোগৰ চিকিৎসাৰ ক্ষেত্ৰত ৰেফাৰেল চিকিৎসালয়ৰ নেটৱৰ্ক হিচাপে সেৱা আগবঢ়াই আহিছে। এক্ট ইষ্ট নীতিৰ অধীনত অসমৰ কৌশলগত অৱস্থানৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- বাংলাদেশ, ভূটান, নেপাল আৰু ম্যানমাৰৰ দৰে চুবুৰীয়া দেশৰ ৰোগীসকলকো গুৱাহাটীতে উন্নত চিকিৎসা সেৱা প্ৰদান কৰি অসমক কৰ্কট ৰোগৰ চিকিৎসাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ গন্তব্যস্থললৈ পৰিগণিত কৰিব। কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়েও অসমৰ এই আৰ্হি আন ৰাজ্যসমূহকো গ্ৰহণ কৰাৰ বাবে পৰামৰ্শ আগবঢ়াইছে। ৰাজ্য চৰকাৰৰ প্ৰচেষ্টা কেৱল চিকিৎসা প্ৰদানতে সীমাবদ্ধ নহয়। জনসজাগতা সৃষ্টি, পৰীক্ষা-নিৰীক্ষা আৰু ৰোগৰ আগতীয়া চিনাক্তকৰণৰ ওপৰতো চৰকাৰে সমান গুৰুত্ব আৰোপ কৰিছে। এই প্ৰকল্পৰ সুফল কেৱল অসমৰ মাজতে সীমাবদ্ধ নাথাকিব। চুবুৰীয়া দেশ আৰু অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন প্ৰান্তৰ ৰোগীয়ে গুৱাহাটীতে কৰ্কট ৰোগৰ উন্নত চিকিৎসা লাভ কৰিব পাৰিব। আমাৰ লক্ষ্য কেৱল বিশ্বমানৰ এটা চিকিৎসা কেন্দ্ৰ স্থাপন কৰাতে সীমাবদ্ধ নহয়। দীৰ্ঘম্যাদীভাৱে কেন্দ্ৰটো সুচাৰুৰূপে চলাই নিয়াৰ বাবে প্ৰয়োজনীয় জ্ঞান, দক্ষতা আৰু প্ৰাতিষ্ঠানিক সক্ষমতাও গঢ়ি তোলাৰ ওপৰতো গুৰুত্ব প্ৰদান কৰা হৈছে। এই যাত্ৰাত সহযোগিতা আগবঢ়োৱা বিশ্ব বেংক, আই বি এ পাৰ্টিকল থেৰাপী ইণ্ডিয়া প্ৰাইভেট লিমিটেড, টাটা মেম'ৰিয়েল চেণ্টাৰ, টাটা ট্ৰাষ্ট আৰু সকলো সহযোগী প্ৰতিষ্ঠান পেছাদাৰী ব্যক্তিলৈ মুখ্যমন্ত্ৰীয়ে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। এই পদক্ষেপ বাস্তৱায়িত কৰাৰ বাবে স্বাস্থ্য বিভাগৰ লগতে এ এছ এছ আই এছ টি আৰু এ এইচ আই ডি এম এছৰ অধীনত কাম কৰি থকা প্ৰতিটো দলৰ প্ৰচেষ্টাৰো ভাষণ প্ৰসংগত তেওঁ শলাগ লয়। এই অনুষ্ঠানত মন্ত্ৰী অশোক সিংহল, মুখ্য সচিব ড° ৰবি কোটা, চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগৰ আযুক্ত সচিব সিদ্ধাৰ্থ সিং, আই বি এৰ মুখ্য কাৰ্য বাহী বিষয়া তথা পৰিচালনা সমিতিৰ উপাধ্যক্ষ অলিভিয়াৰ লেগ্ৰেইন, বিশ্ব বেংকৰ দক্ষিণ এছিয়া আঞ্চলিক কাৰ্যালয়ৰ আঞ্চলিক অনুশীলন সঞ্চালক তথা ভাৰতৰ প্ৰতিনিধি চেম মেটে উপস্থিত থাকে।

২০২৭ চনৰ ২৫ জানুৱাৰীৰ পৰা

এই স্ব-গণনা প্ৰক্ৰিয়া ২৪ জানুৱাৰীলৈ অব্যাহত থাকিব। আনহাতে ১ মাৰ্চৰ পৰা ৫ মাৰ্চলৈকে পুনৰীক্ষণ প্ৰক্ৰিয়া চলিব। ভাৰতৰ লোকপিয়ল আইন-১৯৪৮ আৰু লোকপিয়ল বিধি-১৯৯০ৰ বিধান অনুসৰি অনুষ্ঠিত এই লোকপিয়লত সুধিবলগীয়া প্ৰশ্নসমূহৰ তালিকাও কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰিছে। সেই অনুসৰি এইবাৰ লোকপিয়লত প্ৰতিটো পৰিয়ালক ৪০টাকৈ প্ৰশ্ন সোধা হ'ব। ব্যক্তিৰ নামৰ পৰা জন্মৰ তাৰিখ, বয়স, স্বামী-পত্নীৰ নাম, মাতৃভাষা, শিক্ষানুষ্ঠানত অধ্যয়নৰ স্থিতি, কৰ্মৰত অৱস্থা, অৰ্থনৈতিক কাৰ্যকলাপৰ শ্ৰেণী, বৃত্তি বা পেছা, যাতায়াতৰ মাধ্যম, ক'ভিড টিকাকৰণৰ বিৱৰণী, বেংকৰ একাউণ্টকে ধৰি প্ৰায় ৪০টা প্ৰশ্নৰ উত্তৰ দিব লাগিব সাধাৰণ ৰাইজে। উল্লেখ্য যে দেশৰ অন্তিমটো লোকপিয়ল ২০১১ চনত দুটা পৰ্যায়ত সম্পন্ন কৰা হৈছিল। ইয়াৰে পৰৱৰ্তী পৰ্যায়ত ২০২১ চনত লোকপিয়ল অনুষ্ঠিত হোৱাৰ পৰিকল্পনা কৰা হৈছিল যদিও সেই প্ৰক্ৰিয়া সম্পন্ন নহ'ল। ২০২১ চনৰ ফেব্ৰুৱাৰী মাহত লোকপিয়ল অনুষ্ঠিত হোৱাৰ কথা আছিল যদিও সমগ্ৰ দেশতে হোৱা ক'ভিড পৰিস্থিতিৰ বাবে এই প্ৰক্ৰিয়া অনিৰ্দিষ্ট কাললৈ স্থগিত ৰাখিবলগীয়া হৈছিল। যোৱা সময়ছোৱাত দেশত লোকপিয়ল অনুষ্ঠিত হ'ব বুলি চলি থকা চৰ্চাৰ মাজতে কেন্দ্ৰীয় চৰকাৰে অহা বৰ্ষৰ আৰম্ভণিতে লোকপিয়ল অনুষ্ঠিত কৰাৰ আনুষ্ঠানিক অধিসূচনা প্ৰকাশ কৰিলে।

সম্পাদকীয় শিতান... দেৰাশীষ গোস্বামী

বাঁহৰ চাঙী নে টকাৰ চাঙী?



হয়, আচহুৱা লাগিলেও শিৰোনামটো অপ্ৰিয় সত্য। জন্ম হ'লে মৃত্যু অনিবাৰ্য। মৃত্যু জীৱনৰ চৰম সত্য। মৃত্যুৰ পাছত পাৰ্থিৱ শৰীৰতো সৎ কাৰৰ বাবে দাঙি নিবলৈ প্ৰয়োজন ৪ খন কান্ধ আৰু এখন বাঁহৰ চাঙী। অন্তিম যাত্ৰাত পাৰ্থিৱ শৰীৰটোৰ লগ মাথো পৰিয়ালটোৰ লগতে বন্ধুবৰ্গ আৰু ওচৰ চুবুৰীয়া। মৃত ব্যক্তিজনৰ জীৱিত কালৰ কাৰ্য্য পন্থাই নিৰ্ধাৰণ কৰে বাঁহৰ চাঙীত কান্ধ মাত্ৰ ৪ খন পাবনে, সেইয়া অন্তিম যাত্ৰা হ'ব নে শোভাযাত্ৰা হ'ব থিক যিদৰে হৈছিল আমাৰ হিয়াঁৰ আমঠু জুবিন দাৰ বিদায় ক্ষণত। কিমান দূৰলৈকে ৰাইজৰ অন্তৰ দখলেৰে এক সুকীয়া স্থানত অধিস্থিত হ'ব পাৰিলেহে জুবিনদাৰ দৰে অন্তিম যাত্ৰা কপালত মিলে, সেই বিশেষ যাত্ৰাৰ একমাত্ৰ সাক্ষী সকলৰ বাবে সহজেই অনুমেয়। জীৱন যোৱা কৰ্মৰ প্ৰতিফলন জীৱনৰ অন্তিম যাত্ৰাত অনুগামীসকলৰ মাজত প্ৰতিফলিত হোৱাতো ধ্ৰুপ।

পিছে আমাৰ সমাজত এনেকুৱা এচাম আছে যি গুৰু গোঁসাই নামানি, দম্ভ-অহংকাৰ তথা মদগৰ্বী স্বভাৱেৰে মৃত্যুৰ পাছত টকাৰ চাঙী তৈয়াৰ কৰাত ব্যস্ত। সেই চামৰ স্বভাৱ, কথা বতৰাত স্পষ্ট ৰূপত প্ৰতিফলিত হয় অনবৰতে ৰংবিৰঙৰ মহাত্মা গান্ধীক নিজৰ অধীনলৈ অনাৰ শৈলি। এনে Categoryৰ লোক সকলৰ বাবে আত্মীয় স্বজন, বন্ধু বান্ধৱ আদি সম্পৰ্কবোৰ তেনেই মূল্যহীন। কোৱোণাৰে ধন চপোৱাৰ কৌশল আয়ত্ব কৰোতে কৰোতে আচল জীৱন জীউৱাৰ সোৱাদৰ পৰা তেনেই বঞ্চিত। টকাৰ চাঙীৰ তাড়ণাত জীৱনৰ প্ৰকৃত সোৱাদ নিজেতো লোৱাত ব্যৰ্থই, নিজ পৰিয়াল তথা সামাজিক প্ৰাণী হিচাপে আনকো দিয়াত সম্পূৰ্ণ ব্যৰ্থ। একমাত্ৰ তেওঁলোকৰ "Godfather Behaviour"ৰ বাবে আৰু লগতে ধন সম্পদ আহৰণৰ কূট কৌশল ৰটনাত ব্যস্ত থকাৰ বাবেই তেওঁলোকৰ জীৱনৰ পৰা এজন এজনকৈ প্ৰকৃত বন্ধু তথা শুভাকাংক্ষীয়ে ক্ৰমান্বয়ে মেলানি মাগে। থাকি যায় মাথো ভগৱান প্ৰদত্ত সুন্দৰ এটা জীৱনৰ মাদকতা উপভোগ কৰিব নোৱাৰাৰ হা-হুমুনিয়াহ। নিজকে সৰ্বে সৰ্বা জ্ঞানেৰে জীৱনত এটা এটাকৈ হেৰুওৱা মূল্যবান সময়, সম্পত্তি সমূহৰ ভৰ জীৱনৰ তুলাচালনীখনত যে ভূমি স্পৰ্শ কৰিছে গৈ টকাৰ চাঙীৰ লালসাত চকুতেই নপৰে। চকুত 'Cataract' হোৱা ৰোগীৰ দৰে হৈ পৰে সেই চামৰ 'Body language'।

মুঠতে আত্মকেন্দ্ৰীক আজিৰ এই সমাজখনত টকাৰ চাঙীত জীৱন নাটৰ সামৰণি পেলোৱাৰ সপোন দেখা লোক তেনেই সুলভ।

ৰঙিয়াত ভুৱা ছীল

চলাই আহিছিল। আনকি ন্যায়ালয়ৰ গুৰুত্বপূৰ্ণ ৰায়দানৰ প্ৰতিলিপিও জালিয়াতি কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে তেওঁৰ বিৰুদ্ধে। ইয়াৰ উপৰি কামৰূপ মহানগৰ জিলাৰ লগতে ৰাজ্যৰ কেইবাটাও উপ-পঞ্জীয়কৰ কাৰ্যালয়ৰ নামতো ভুৱা ছীল-মোহৰ আৰু চহী ব্যৱহাৰ কৰাৰ তথ্য পোহৰলৈ আহিছে। অভিযানকালত আৰক্ষী-প্ৰশাসনে অভিযুক্তৰ পৰা বিভিন্ন বিভাগৰ ১৬৮টা ভুৱা ছীল-মোহৰ, বহু আপত্তিজনক নথি-পত্ৰ আৰু নগদ ১ লাখ ৰৰ হাজাৰ টকা জব্দ কৰে। ইতিমধ্যে আটকাধীন অভিযুক্তক লগত লৈ ৰঙিয়াৰ বিভিন্ন স্থানত আৰক্ষী আৰু প্ৰশাসনে তীব্ৰ তালাচী অভিযান অব্যাহত ৰাখিছে। অভিযুক্তৰ বাসগৃহতো চলোৱা হৈছে অভিযান। এই বৃহৎ জালিয়াতিৰ আঁৰত আৰু কোনো লোক জড়িত আছে নেকি, ৰাজ্যজুৰি কোনো বৃহৎ দালাল চক্ৰই এই প্ৰৱঞ্চনাৰ জাল বিস্তাৰ কৰি আহিছে নেকি, সেই দিশটো তদন্ত চলাই আছে।

সন্দীপন-অমৃতপ্ৰভাৰ জামিনৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ অসম চৰকাৰ

ৰঙিলী বার্ত্তাসেৱা- প্রাণৰ শিল্পী জুবিন গার্গৰ হত্যা গোচৰত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পৰা গোচৰটোৰ অন্যতম অভিযুক্তদ্বয় অমৃতপ্রভা মহন্ত আৰু সন্দীপন গার্গে লাভ কৰা জামিনক প্রত্যাহ্বান জনাই উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হৈছে অসম চৰকাৰ। ৰাজ্য চৰকাৰে দুয়োগৰাকীৰ জামিনৰ ৰায়ক প্রত্যাহ্বান জনাই উচ্চতম ন্যায়ালয়ত বিশেষ অনুমতি আবেদন (Special Leave Petition বা SLP) দাখিল কৰিছে। ৰাজ্য চৰকাৰৰ হৈ অধিবক্তা শুভদ্বীপ ৰয়ে উচ্চতম ন্যায়ালয়ত এই এছএলপি দাখিল কৰে। ইতিমধ্যে আবেদনখন উচ্চতম ন্যায়ালয়ৰ ডায়েৰীত অন্তর্ভুক্ত হৈছে আৰু ডায়েৰী নম্বৰ হৈছে ৬৮৫৭১/২০২৬। আবেদনখনৰ শুনানিকালত ৰাজ্য চৰকাৰৰ হৈ প্রতিনিধিত্ব কৰিব ৰাজ্য চৰকাৰৰ মহাধিবক্তা দেৱজিৎ লন শইকীয়া, অধিবক্তা আৰু উচ্চতম ন্যায়ালয়ৰ অসম চৰকাৰৰ ষ্টেণ্ডিং কাউঞ্চিলৰ সদস্য দেৱজিৎ বৰকাকতি আৰু জ্যেষ্ঠ অধিবক্তা নলীন এছ কোহলী আৰু উচ্চতম ন্যায়ালয়ত অসম চৰকাৰৰ ষ্টেণ্ডিং কাউঞ্চিলৰ সদস্য অংকিত ৰয়ে। উল্লেখ্য যে জুবিন গার্গৰ মৃত্যুৰ ন্যায় বিচাৰি ৰাজ্যবাসীয়ে অপেক্ষা কৰি থকাৰ সময়ত অসম চৰকাৰৰ এই পদক্ষেপে গোচৰটোক নতুন মাত্রা প্রদান কৰাৰ লগতে পুনৰ চর্চাৰ মাজলৈ আনিছে। এতিয়া উচ্চতম ন্যায়ালয়ৰ পৰৱর্তী শুনানি আৰু নির্দেশনাৰ ওপৰত সকলোৰে দৃষ্টি নিবদ্ধ হৈছে। উল্লেখ্য যে জুবিন গার্গৰ হত্যা

(দহ পৃষ্ঠাত চাওক)

ভুটানত হিমবাহ বিস্ফোৰণ



ৰঙিলী বার্ত্তাসেৱা- নেপালৰ পিছত এইবাৰ চুবুৰীয়া ৰাষ্ট্র ভুটানত হিমবাহৰ বিস্ফোৰণ। ভুটানৰ গাছা জিলাৰ ৰাকিলা পাহাৰৰ কাষৰ শ্বিনটাফু হ্রদ ভাঙি এক অতিকায় বিস্ফোৰণ সংঘটিত হয়, যাৰ ফলত প্রায় ছয় লাখ কিউবিক মিটাৰ পানী হঠাতে তললৈ বৈ আহি পুনাটছাংচু নদীৰ শ্চভাৱতত সোণকোষগ্ন জলস্তৰ বৃদ্ধি কৰে। জানিব পৰা মতে, বৃহস্পতিবাৰে নিশা প্রায় ৯ বজাত সংঘটিত এই দুর্যোগৰ ফলত তীব্র বেগেৰে নামি অহা পানীয়ে ভাৰত-ভুটান সীমান্তৱর্তী অঞ্চলসমূহত ত্রাসৰ সৃষ্টি কৰিছে। শংকিত হৈ পৰিছে দাঁতিকাষৰীয়া জনসাধাৰণ। এই আকস্মিক জলপ্রলয়ৰ বাবে কেন্দ্রীয় জলশক্তি মন্ত্রালয়ে অসমৰ কোকৰাঝাৰ, ধুবুৰী আৰু পশ্চিমবংগৰ আলিপুৰদুৱাৰ, জলপাইগুৰি আৰু কোচবিহাৰ জিলাত উচ্চ পর্যায়ৰ সতর্কতা তথা পৰামর্শৱলী জাৰি কৰা হৈছে। উল্লেখ্য যে, ভুটানৰ ৰজ্ঞা সম্ভাব্য বিপজ্জনক হিমবাহ হ্রদৰ তালিকাৰ

(দহ পৃষ্ঠাত চাওক)

কলাক্ষেত্রত খেল মহাৰণৰ থীম ছং-লগ' মুকলি মুখ্যমন্ত্রীৰ



ৰঙিলী বার্ত্তাসেৱা- অসম চৰকাৰে শুকুৱাৰে খেল মহাৰণৰ তৃতীয় সংস্কৰণ মুকলি কৰে। মুখ্যমন্ত্রী ডঁ হিমন্ত বিশ্ব শর্মাই গুৱাহাটীৰ কলাক্ষেত্রৰ দামোদৰদেৱ আন্তর্জাতিক প্রেক্ষাগৃহত অনুষ্ঠিত এক গাম্ভীর্যপূর্ণ অনুষ্ঠানত খেল মহাৰণ ৩.০ৰ লগ', মেছকট, জার্জী আৰু থীম ছঙৰ শুভ উন্মোচন কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্রীয়ে কয় যে অসমৰ ক্রীড়া ক্ষেত্রখনক তৃণমূল পর্যায়ৰ পৰা শক্তিশালী কৰি তোলাৰ লক্ষ্যৰে আৰম্ভ কৰা 'খেল মহাৰণ' আজি ৰাজ্যখনৰ প্রতিটো পৰিয়ালৰ বাবে এক পৰিচিত নাম হৈ পৰিছে। অসমৰ প্রতিখন গাঁও, প্রতিটো অঞ্চল আৰু প্রতিগৰাকী উদীয়মান খেলুৰৈৰ মাজত ক্রীড়াৰ প্রতি আগ্রহ বৃদ্ধিকৰা, প্রতিভা চিনাক্ত কৰা আৰু উপযুক্ত প্রশিক্ষণৰ জৰিয়তে সেই প্রতিভাক আগুৱাই নিয়াত খেল মহাৰণৰ পূর্বৱর্তী দুয়োটা সংস্কৰণে এক গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছে। তেওঁ কয় যে খেল মহাৰণে স্থানীয় সমাজ, প্রশাসন, ক্রীড়া সংগঠন, প্রশিক্ষক আৰু খেলুৰৈসকলক এক উমৈহতীয়া মঞ্চত একত্রিত কৰিছে। ইয়াৰ জৰিয়তে ক্রীড়াক কেৱল প্রতিযোগিতাৰ মাজতে সীমাবদ্ধনাৰাখি ব্যক্তিত্ব গঠন, শাৰীৰিক সক্ষমতা বৃদ্ধিআৰু সুস্থ সমাজ গঢ়াৰ এক মাধ্যম হিচাপে আগ বঢ়াই নি বলৈ সক্ষম হৈছে। তেওঁ কয় যে কেইটামান দিনৰ পিছতে আৰম্ভ হ' বলগীয়া খেল মহাৰণৰ তৃতীয় সংস্কৰণৰ আৰম্ভণিৰ পূর্বে আজি উন্মোচন কৰা লগ', মেছকট, জার্জী আৰু থীম ছঙৰ প্রতিটো উপাদানেই খেল মহাৰণৰ স্বকীয় পৰিচয় আৰু ইয়াৰ অন্তর্নিহিত ক্রীড়া চেতনাক প্রতিফলন কৰিছে। খেল মহাৰণ ৩.০ৰ লগ'টো অসমৰ ক্রীড়া সমাজৰ শক্তি, গতি, বৈচিত্র্য আৰু আকাংক্ষাক প্রতিফলন কৰাৰ উদ্দেশ্যে প্রস্তুত কৰা হৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে ইয়াৰ নক্সাত এই সংস্কৰণৰ আঠটা ক্রীড়া শাখা ক্রমে- এথলেটিকছ, ভলীবল, যোগাসন, দবা, ফুট বল, একুৱাথলন, সাঁতোৰ আৰু বক্সিঙৰ বিভিন্ন উপাদান সুন্দৰভাৰে একত্রিত কৰা হৈছে। তদুপৰি, লগ'টোৰ উজ্জ্বল ৰঙে প্রতিটো ক্রীড়া শাখাক এক সুকীয়া পৰিচয় দিয়াৰ লগতে সকলো শাখাক এক উমৈহতীয়া ক্রীড়া আন্দোলনৰ অংশ হিচাপে উপস্থাপন কৰিছে। ইয়াৰ মাজেৰে অসমৰ প্রতিটো প্রান্ততে ক্রীড়াৰ সুযোগ সম্প্রসাৰিত কৰা আৰু তৃণমূল পর্যায়ত থকা প্রতিভাক আগ বাঢ়ি অহাৰ সুযোগ প্রদান কৰাৰ আমাৰ চৰকাৰৰ লক্ষ্য আৰু উদ্দেশ্য প্রকাশিত হৈছে বুলি তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্রীয়ে কয় যে খেল মহাৰণ ৩.০ৰ মেছকটটোৰ নাম ৰখা হৈছে 'সোণটো'। অসমৰ গৌৰৱময় প্রাকৃতিক ঐতিহ্যৰ এক চিনাকি প্রতীক সোণালী বান্দৰৰ পৰা অনুপ্রেৰণা লৈ এই মেছকটটো প্রস্তুত কৰা হৈছে। 'সোণটো' নামটোৰ মাজত অসমীয়াৰ মৰমৰ সম্বোধন আৰু 'সোণৰ দৰে মূল্যৱান' হোৱাৰ এক আপোন অনুভৱ নিহিত হৈ আছে। সেয়েহে এই নামটোৰে মেছকটটোক এক স্বকীয় অসমীয়া পৰিচয় প্রদান কৰিছে। সোণটোৰ চৰিত্রত সোণালী বান্দৰৰ ক্ষিপ্রতা, গতি, ভাৰসাম্য, বুদ্ধিমত্তা, শক্তি, কৌতূহল আৰু পৰিৱেশৰ সৈতে খাপ খুৱাই লোৱাৰ ক্ষমতা প্রতিফলন হৈছে। এই গুণসমূহ এজন সফল খেলুৰৈৰ বিকাশৰ বাবেও অত্যন্ত প্রয়োজনীয়। সোণটোৰ খেলুৰৈসুলভ আৰু আনন্দময় ব্যক্তিত্বই শিশুসকলৰ সৈতে সহজে এক আত্মীয়তাপূর্ণ সম্পর্ক গঢ়ি তুলিব। ইয়াৰ জৰিয়তে শিশুসকলক ক্রীড়াত অংশগ্রহণ কৰিবলৈ, নিজৰ সামর্থ্য আৱিষ্কাৰ কৰি বলৈ আৰু খেলৰ মাজেৰে আগ বাঢ়ি যাবলৈ উৎসাহিত কৰিব পৰা যাব। সোণটোৰ এই সৃষ্টিশীল ৰূপ দিয়াৰ বাবে শিল্পী শান্তনু হাজৰিকাৰ প্রচেষ্টাক মুখ্যমন্ত্রীয়ে শলাগ লয়। খেল মহাৰণৰ জার্ছীও এই ক্রীড়া আন্দোলনৰ এক গুৰুত্বপূর্ণ পৰিচয় হিচাপে পৰিগণিত হ'ব বুলি মুখ্যমন্ত্রীয়ে উল্লেখ কৰে। তেওঁ কয় যে বিভিন্ন অঞ্চল আৰু সামাজিক পটভূমিৰ খেলুৰৈসকলে একেখন ক্রীড়া মঞ্চত অংশগ্রহণ কৰাৰ সময়ত এই জার্জীয়ে তেওঁলোকৰ মাজত একতা, দলীয় পৰিচয় আৰু সামূহিক প্রতিনিধিত্বৰ ভাবনা অধিক শক্তিশালী কৰিব। ই প্রতিগৰাকী খেলুৰৈক নিজৰ দল আৰু ৰাজ্যৰ হৈ নিষ্ঠা, দায়বদ্ধতা আৰু ক্রীড়াসুলভ মনোভাবেৰে খেলিবলৈ অনুপ্রাণিত কৰিব। ক্রীড়া আন্দোলনক জনসাধাৰণৰ মাজলৈ লৈ যোৱা আৰু সকলোকে ইয়াৰ সৈতে সংযুক্ত কৰাৰ ক্ষেত্রত সংগীতৰ এক বিশেষ ভূমিকা আছে। খেল মহাৰণ ৩.০ৰ থীম ছংটো ৰচনা কৰিছিল বিশিষ্ট সাহিত্যিক কৈলাশ নাথ শর্মাই। জনপ্রিয় অসমীয়া কণ্ঠশিল্পী দীক্ষুৰে গীতটোত কণ্ঠদান কৰাৰ লগতে ইয়াৰ সংগীতো পৰিচালনা কৰিছে। গীতটোৰ কথা আৰু সুৰৰ মাজেৰে অসমৰ ক্রীড়া সমাজৰ উদ্যম, আশা আৰু আকাংক্ষাক প্রকাশ কৰাৰ প্রয়াস কৰা হৈছে। মুখ্যমন্ত্রীয়ে কয় যে এই থীম ছংটোৱে উদীয়মান খেলুৰৈসকলক উৎসাহিত কৰাৰ লগতে ক্রীড়া অনুৰাগী আৰু সাধাৰণ জনতাকো খেল মহাৰণৰ সৈতে একাত্ম হ'বলৈ অনুপ্রাণিত কৰিব। তেওঁ কয় যে ক্রীড়াই মানুহৰ মাজত বাধাৰ প্রাচীৰ আঁতৰাই নিয়মানুবর্তিতা আৰু শৃংখলাৰদ্ধতা শিকায় আৰু

(দহ পৃষ্ঠাত চাওক)

শতায়ু গৰকা ৰাধাৰাণী দাসৰ স্মৰণত চন্দামাৰীত শোকসভা



ৰঙিলী বার্ত্তাসেৱা- বিহালী আঞ্চলিক নমঃশূদ্র উন্নয়ন পৰিষদৰ সাংগঠনিক সম্পাদক নিতাই দাসৰ মাতৃ ৰাধাৰাণী দাসৰ স্মৰণত আজি বিশ্বনাথ জিলাৰ চন্দামাৰীত এক শোকসভা অনুষ্ঠিত হয়। যোৱা ২৫ অক্টোবৰৰ নিশা ১০৩ বছৰ বয়সত তেখেতৰ বিয়োগ ঘটে। তেখেতৰ বিয়োগত সমগ্র অঞ্চলতে শোকৰ ছাঁ পৰিছে। পৰিষদৰ উদ্যোগত তেখেতৰ বাসগৃহত অনুষ্ঠিত শোকসভাত প্রয়াতৰ প্রতিচ্ছবিত বন্তি প্রজ্বলন আৰু ধূপ-দীপ জ্বলাই শ্রদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। লগতে প্রয়াতৰ আত্মাৰ চিৰশান্তি কামনাৰে এক মিনিট মৌন প্রার্থনা কৰা হয়। শোকসভাৰ আঁত ধৰে পৰিষদৰ সম্পাদক প্রেম বৈষ্ণৱে। শ্রদ্ধাঞ্জলি পত্র পাঠ কৰে কোষাধ্যক্ষ বিনোদ চৰকাৰে। সভাত পৰিষদৰ উপদেষ্টা জিতেন মণ্ডল, সাংগঠনিক সম্পাদক ধৰণী কান্ত ৰয় আৰু সভাপতি ডঁ বিজয় মণ্ডলে বক্তব্য ৰাখি সদ্য প্রয়াত ৰাধাৰাণী দাসক এগৰাকী সৰল, ধর্মপৰায়ণ আৰু আদর্শৱতী মাতৃ হিচাপে স্মৰণ কৰে আৰু শোকসন্তপ্ত পৰিয়ালবর্গলৈ সমবেদনা জ্ঞাপন কৰে। শোকসভাত মৃদুল মণ্ডল, বিপ্লৱ ৰয়, জয়ন্ত বিশ্বাস, সমীৰ মণ্ডল, ৰাজু মণ্ডল, ৰামানন্দ দাসকে আদি কৰি বহু লোক উপস্থিত থাকি সমবেদনা জ্ঞাপন কৰে।

তিনিচুকীয়াত এছিয়াৰ প্ৰথমটো গ্ৰীন এ এ চি চি ব্লক উদ্যোগৰ শুভাৰম্ভ মুখ্যমন্ত্ৰীৰ



ৰঙিলী বার্ত্তাসেৱা- দুদিনীয়া কার্যসূচীৰে ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলা ভ্ৰমণৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শর্মাই এডভান্টেজ আছাম-২.০ৰ সময়ত স্বাক্ষৰিত হোৱা বুজাবুজিৰ চুক্তিৰ ভিত্তিত কে ডি গ্ৰুপ অৰ ইণ্ডাষ্ট্ৰিজৰ অন্তৰ্গত লাইট ব্ৰিকছ প্ৰাইভেট লিমিটেডে তিনিচুকীয়াৰ হাপজানত স্থাপন কৰা 'গ্ৰীন এ এ চি ব্লক' নিৰ্মাণ উদ্যোগৰ শুভাৰম্ভ কৰে। উল্লেখ্য যে এডভান্টেজ আছাম-২.০ত অসম চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগ আৰু কে ডি গ্ৰুপৰ মাজত এ এ চি ব্লক নিৰ্মাণ উদ্যোগ স্থাপনৰ বাবে চুক্তি স্বাক্ষৰিত হৈছিল। প্ৰায় ৫৫ কোটি টকা বিনিয়োগেৰে গঢ়ি তোলা এই প্ৰকল্পটো বিগত ১৫ বছৰত তিনিচুকীয়া জিলাত বেচৰকাৰী খণ্ডৰ সৰ্ববৃহৎ নিৰ্মাণ উদ্যোগৰ বিনিয়োগ হিচাপে পৰিগণিত হৈছে। বার্ষিক ২.০ লাখ কিউবিক মিটাৰ উৎপাদন ক্ষমতাৰে এই উদ্যোগটোৱে প্ৰতিবছৰে প্ৰায় ১০ কোটি ৰঙা ইটাৰ স্থান ল'বলৈ সক্ষম হ'ব। অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰী ড° শর্মাই কয় যে এ এ চি ব্লক নিৰ্মাণ উদ্যোগটোৱে ৰঙা ইটাৰ ব্যৱহাৰ হ্ৰাস কৰি কৃষিভূমিৰ সংৰক্ষণত সহায় কৰিব। তেওঁ কয় যে এছিয়াত প্ৰথমবাৰলৈ 'ইনবিল্ড গ্ৰিড' থকা এ এ চি ব্লক নিৰ্মাণ প্ৰযুক্তি ব্যৱহাৰ কৰা হৈছে। 'ইনবিল্ড গ্ৰিড' প্ৰযুক্তিৰে এই উদ্যোগত এ এ চি ব্লক নিৰ্মাণ কৰা হ'ব। ইতিমধ্যে ৰঙিয়া আৰু শিলচৰত এনে উদ্যোগ স্থাপন কৰা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে তিনিচুকীয়াত স্থাপন হোৱা এ এ চি ব্লক নিৰ্মাণ উদ্যোগটোৱে উজনি অসমৰ লগতে অৰুণাচল প্ৰদেশৰ নিৰ্মাণ খণ্ডৰ চাহিদা পূৰণ কৰিব। তেওঁ কয় যে এই উদ্যোগটোত প্ৰায় ৮০ গৰাকী লোকক প্ৰত্যক্ষভাৱে আৰু ৭৫ গৰাকী কৰ্মচাৰীক ঠিকাদাৰৰ জৰিয়তে নিয়োগ কৰা হ'ব। তদুপৰি যোগান ধৰোঁতা, বিক্ৰেতা আৰু খুচুৰা ব্যৱসায়ীকে ধৰি পাঁচশৰো অধিক লোকলৈ পৰোক্ষ সংস্থাপনৰ বাট মুকলি হ'ব। ২০২৬ চনৰ ফেব্ৰুৱাৰী মাহত অসমত এডভান্টেজ অসম বিনিয়োগ আৰু আন্তঃগাঁথনি সম্মিলনৰ আয়োজন কৰা হৈছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই সম্মিলনত ৫.১৮ লাখ কোটি টকাৰ বিনিয়োগৰ প্ৰতিশ্ৰুতি লাভ কৰা হৈছিল। শক্তি, আন্তঃগাঁথনি, হাইড্ৰ'কার্বন উৎপাদন, ইলেক্ট্ৰনিক্স, পৰ্যটন, স্বাস্থ্য সেৱা, খাদ্য

(দহ পৃষ্ঠাত চাওক)

প্ৰাণৰ শিল্পী জুবিন গার্গৰ ন্যায়ৰ দাবীৰে ৰাজ্যজুৰি আছুৰ মমশিখা সমদল



ৰঙিলী বার্ত্তাসেৱা- প্ৰাণৰ শিল্পী জুবিন গার্গৰ মৃত্যুৰ ঘটনাত ন্যায়ৰ দাবীত ৰাজ্যজুৰি সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানত আজি ৰাজ্যজুৰি মমশিখা সমদল উলিওৱা হয়। গোচৰটোৰ কেইবাগৰাকীও অভিযুক্তক জামিন প্ৰদান কৰাৰ পিছতে আছু আৰু ৰাজ্যৰ জনসাধাৰণৰ মাজত তীব্ৰ অসন্তুষ্টি আৰু প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। দোষীক উচিত শাস্তি নিদিয়ালৈকে আন্দোলন অব্যাহত ৰখাৰ হুংকাৰ দিয়ে আছুৰ নেতৃবৰ্গে। গুৱাহাটীৰ লগতে টংলা, গৌৰীপুৰ শ্চধুবুৰীগ্ন, শিৱসাগৰ, মানকাচৰ, হোজাই আদি জিলা তথা বিভিন্ন উপ-নগৰত আছুৰ কর্মী আৰু স্থানীয় জনসাধাৰণে মমশিখা জ্বলাই শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনায় আৰু ন্যায় দাবী কৰে। গুৱাহাটীৰ আছুৰ মুখ্য কার্যালয় শ্বহীদ ন্যাসৰ পৰা আছুৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচার্যৰ নেতৃত্বত কেইবাশতাধিক সদস্যই এই সমদলত অংশগ্ৰহণ কৰে। জুবিন গার্গৰ মৃত্যুৰ ঘটনাত জড়িত প্ৰতিগৰাকী দোষীক শাস্তি প্ৰদানৰ দাবী জনায় সংগঠনটোৱে। 'প্ৰাণৰ শিল্পী জুবিন গার্গক ন্যায় দিয়ক', 'প্ৰাণৰ শিল্পী জুবিন গার্গে ন্যায় নোপোৱালৈ আমি ক্ষান্ত নই', 'হত্যাকাৰীক কঠোৰ শাস্তি প্ৰদান কৰিব লাগিবই', 'আমাক ন্যায় লাগিবই' ইত্যাদি শ্লোগান দি এই মমশিখা সমদল উলিওৱা হয়। গুৱাহাটীত সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জঞ্জবল ভট্টাচার্যৰ নেতৃত্বত শিক্ষা সম্পাদক টুটুমণি কলিতা, ৰাজ্যিক কার্যনির্বাহকৰ সদস্য ৰূপম কুমাৰ দাস,

(নপৃষ্ঠাত চাওক)

সর্বানন্দ সিংহ ষ্টেডিয়াম পুনৰ নির্মাণ কৰা হ'বঃ মুখ্যমন্ত্ৰী



ৰঙিলী বার্ত্তাসেৱা- দুদিনীয়া কার্যসূচীৰে ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলা ভ্ৰমণৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শর্মাই তিনিচুকীয়া জিলাত তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় পৰিদর্শন কৰাৰ লগতে আন কেইবাটাও নির্মীয়মাণ প্ৰকল্পৰ অগ্ৰগতিৰ বুজ লয় আৰু প্ৰস্তাৰিত আন্তঃগাঁথনিমূলক প্ৰকল্পৰ স্থান পৰিদর্শন কৰে। মুখ্যমন্ত্ৰী ড° শর্মাই তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ বিভিন্ন বিভাগ পৰিদর্শন কৰে। তেওঁ অধ্যক্ষৰ পৰা চিকিৎসা মহাবিদ্যালয়খনৰ আন্তঃগাঁথনি আৰু মানৰ সম্পদৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে লগতে তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ সম্প্ৰসাৰিত ডায়েলাইছিছ গোটটো উদ্বোধন কৰে। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী ড° শর্মাই তিনিচুকীয়া চহৰত নির্মীয়মাণ এহেজাৰ

(নপৃষ্ঠাত চাওক)

জ্ঞানেশ কুমাৰ আৰু মোদীৰ পদত্যাগৰ দাবী



ৰঙিলী বার্ত্তাসেৱা- দেশৰ গণতন্ত্ৰ আৰু জনসাধাৰণৰ ভোটাধিকাৰ সুৰক্ষিত কৰাৰ দাবীত ৰামপুৰ ব্লক কংগ্ৰেছৰ উদ্যোগত এক উত্তাল প্ৰতিবাদী কার্যসূচী ৰূপায়ণ কৰা হয়। উপৰহালীস্থিত ৰাজীৰ ভৱনত আয়োজিত এই কার্যসূচীত দলটোৰ অগণন কর্মীয়ে অংশগ্ৰহণ কৰি সমগ্ৰ অঞ্চলটো উত্তাল কৰি তোলে। 'ভোট বচাওক, দেশ বচাওক' শীৰ্ষক এই প্ৰতিবাদী কার্যসূচীৰ জৰিয়তে কংগ্ৰেছে শাসকীয় বিজেপি চৰকাৰৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ উজাৰে। প্ৰতিবাদকাৰীসকলে বর্তমানৰ ৰাজনৈতিক পৰিস্থিতি আৰু নির্বাচন প্ৰক্ৰিয়াক লৈ তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰে। সমবেত নেতা-কর্মীসকলে 'ভোট চোৰ গাদী চোৰ', 'বিজেপি হুচিয়াৰ', আৰু 'ইনক্লাব জিন্দাবাদ' শ্লোগানেৰে ৰাজীৰ ভৱনৰ চৌহদ কঁপাই তোলে। ইয়াৰ উপৰিও নির্বাচন আয়ুক্তজ্ঞ ানেশ কুমাৰ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ তীব্ৰ সমালোচনা কৰি তেওঁলোকৰ তাৎক্ষণিক পদত্যাগৰ দাবী উত্থাপন কৰে

(নপৃষ্ঠাত চাওক)

ডিব্ৰুগড়ত অখিল ভাৰতীয় সাহিত্য পৰিষদৰ বাল্মীকি দিৱস পালন



ৰঙিলী বার্ত্তাসেৱা- ডিব্ৰুগড়ৰ সূৰজমল জালান শিক্ষা সদন বালিকা বিদ্যালয়ত অখিল ভাৰতীয় সাহিত্য পৰিষদ অসম' ৰ ডিব্ৰুগড় জিলা শাখাৰদ্বাৰা ২৯ অক্টোবৰত আদিকবি

(দহ পৃষ্ঠাত চাওক)

জনজাতীয়ৰ ভূমি অধিকাৰ সুনিশ্চিত কৰাৰ লক্ষ্যৰে মুখ্যমন্ত্রীৰ বৈঠক



ৰঙিলী বার্ত্তাসেৱা- দুদিনীয়া ভ্রমণসূচীৰে ডিব্রুগড় আৰু তিনিচুকীয়া জিলালৈ যোৱা মুখ্যমন্ত্রী ডঁ হিমন্ত বিশ্ব শর্মাই ডিব্রুগড়ৰ মুখ্যমন্ত্রীৰ সচিবালয়ত দুখনকৈ গুৰুত্বপূর্ণ বৈঠকত অংশগ্রহণ কৰে। এই বৈঠক দুখনত উজনি আৰু উত্তৰ অসমৰ কেইবাখনো জিলাৰ খিলঞ্জীয়া জনসাধাৰণৰ ভূমি সম্পর্কীয় বিভিন্ন বিষয় আলোচনা কৰা হয়। এই বৈঠক দুখনত কেইবাটাও গুৰুত্বপূর্ণ সিদ্ধান্ত গ্রহণ কৰে। বৈঠকত মুখ্যমন্ত্রীয়ে স্পষ্ট কৰি দিয়ে যে খিলঞ্জীয়া আৰু যোগ্য জনজাতীয় পৰিয়ালসমূহৰ ভূমিৰ স্থায়ী অধিকাৰ প্রদানৰ বাবে ৰাজ্য চৰকাৰৰ প্রচেষ্টা সদায় অব্যাহত থাকিব। প্রথমখন বৈঠকত লখিমপুৰ, ধেমাজি আৰু মাজুলীৰ জিলা আয়ুক্তসকলৰ লগতে বন বিভাগৰ বিষয়া আৰু জনজাতীয় সংগঠনৰ প্রতিনিধিসকলৰ উপস্থিতিত ৰাজহ বিভাগৰে সম্পর্কিত বিষয়ত জনজাতীয় ৰাইজে সম্মুখীন হোৱা সমস্যাক লৈ আলোচনা কৰাৰ পিছত দ্বিতীয়খন বৈঠকত মৰাণ আৰু মটক জনগোষ্ঠীৰ বিভিন্ন সংগঠনৰ প্রতিনিধিৰ উপস্থিতিত দুয়োটা জনগোষ্ঠীৰ ৰাইজৰ ভূমি সম্পর্কীয় বিষয়ত চর্চা কৰা হয়। উজনি অসমৰ খিলঞ্জীয়া জনসাধাৰণৰ ভূমিৰ অধিকাৰ সুনিশ্চিত কৰাৰ লক্ষ্যৰে আয়োজিত দুয়োখন বৈঠকত ৰাইজে ভূমি সংক্রান্তীয় অভিযোগ-আপত্তি আদি নিষ্পত্তিৰ ক্ষেত্রত সম্মুখীন হোৱা সমস্যা সমাধানৰ বিষয়টোৱে গুৰুত্ব লাভ কৰে। জনজাতীয় পৰিয়াললৈ ৫০ বিঘা পর্যন্ত ভূমি আবণ্টনৰ লগতে মিছন বসুন্ধৰা-২.০ আৰু ৩.০ত নিষ্পত্তি নোহোৱা গোচৰসমূহ মিছন বসুন্ধৰা-৪.০ৰ অধীনত পুনৰীক্ষণ কৰা সন্দর্ভতো বৈঠকত আলোচনা কৰা হয়। প্রথমখন বৈঠকত মুখ্যমন্ত্রী ডঁ শর্মাই স্পষ্ট কৰি দিয়ে যে জনজাতীয় পৰিয়ালসমূহৰ ভূমিৰ অধিকাৰ সুৰক্ষিত কৰি তেওঁলোকক ভূমিৰ স্থায়ী অধিকাৰ প্রদানৰ বাবে ৰাজ্য চৰকাৰৰ প্রচেষ্টা অব্যাহত থাকিব। চৰকাৰে বিভিন্ন পদক্ষেপৰ জৰিয়তে প্রতিটো যোগ্য জনজাতীয় পৰিয়ালৰ ভূমি সংক্রান্তীয় সমস্যা আৰু বিবাদ নিষ্পত্তি কৰিব। এই বৈঠকত মন্ত্রী

(নপৃষ্ঠাত চাওক)

ঘনকান্তক ৭ দিনৰ আৰক্ষী জিম্মালৈ প্রেৰণ



ৰঙিলী বার্ত্তাসেৱা- গুৱাহাটী মহানগৰীৰ মাজমজিয়াত মহিলাসহ পাঁচজন ব্যক্তিক গুলীয়াই হত্যা কৰা ঘাতক ঘনকান্ত গগৈক আৰক্ষীয়ে আদালতত হাজিৰ কৰাৰ পিছত ৭ দিনৰ বাবে জিম্মাত ল'লে। তেওঁক অহা ৩ নৱেম্বৰত পুনৰ আদালতত হাজিৰ কৰোৱা হ'ব। ঘাতক ঘনকান্তক ১০ দিনৰ বাবে আৰক্ষীয়ে জিম্মাত বিচাৰিছিল যদিও আদালতে মাত্র ৭ দিনৰ অনুমতি প্রদান কৰে। উল্লেখ্য যে গুৱাহাটীৰ বৰা ছার্ভিচৰ বিলাস ইন হোটেলৰ স্বত্বাধিকাৰীৰ সৈতে ভাড়া সম্পর্কীয় বিষয় মীমাংসাৰ বাবে আহি হোটেলৰ ভিতৰতে স্বত্বাধিকাৰী হেলেনা বি ভৰালী, তেওঁৰ পুত্র দেৱার্ষি কাশ্যপ, বোৱাৰী ৰিণিশা কাশ্যপ, ককায়েক ভূদেৱ ভৰালী আৰু কর্মচাৰী নাৰায়ণ দাসক গুলীয়াই নৃশংসভাবে হত্যা কৰাৰ পিছত তেওঁক আৰক্ষীয়ে গ্রেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। মন কৰিবলগীয়া যে হত্যাৰ পিছত ঘনকান্তই কোনো অনুশূচনা কৰা নাই বুলি আৰক্ষীৰ সূত্রে জানিব পৰা গৈছে। অভিযুক্ত ঘনকান্তক আৰক্ষীৰ জিম্মাত স্বাভাৰিক ৰূপে দেখিবলৈ পোৱা গৈছিল বুলি এক সূত্রই সদৰী কৰে। আৰক্ষী সূত্রে প্রকাশ কৰা অনুসৰি ঘনকান্তৰ পৰা হত্যাকাণ্ডত ব্যৱহাৰ কৰা পইন্ট ৩২ ৰিভলভাৰটো জব্দ কৰাৰ লগতে কোনো গুলী উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা নাই। সন্দেহ কৰা হৈছে যে ঘনকান্তই হাতত মজুত ৰখা সকলোকেইটা গুলী ঘটনাৰ দিনা তেওঁ ব্যৱহাৰ কৰিছে।

তিনিচুকীয়া গুৰুত্বপূর্ণ উন্নয়নমূলক প্রকল্পৰ শিলান্যাস মুখ্যমন্ত্রীৰ

ৰঙিলী বার্ত্তাসেৱা- মুখ্যমন্ত্রী ডঁ হিমন্ত বিশ্ব শর্মাই তিনিচুকীয়া পৌৰসভাৰ উদ্যোগত আৰু পঞ্চদশ বিত্তীয় আয়োগৰ অধীনত প্রায় ৮ কোটি টকাৰ পুঁজিৰে ৰূপায়ণ কৰিবলীয়া চাৰিটা গুৰুত্বপূর্ণ আন্তঃগাঁথনিমূলক প্রকল্পৰ আভাসীয়ভাৱে শিলান্যাস কৰাৰ লগতে প্রায় ১.৫০ কোটি টকা ব্যয় সাপেক্ষে 'সমগ্র সেৱা' নামৰ এক সংহত ডিজিটেল এপ্লিকেশ্যন ৰাইজৰ সেৱাত মুকলি কৰে। একে সময়তে চহৰখনৰ নলা-নর্দমা, পথ মেৰামতি আৰু উন্নয়নৰ বাবে



২০০ কোটি টকাৰ এক বিশেষ পেকেজ ঘোষণা কৰে মুখ্যমন্ত্রীগৰাকীয়ে। মুখ্যমন্ত্রীৰ এই ঘোষণাই দীর্ঘদিন ধৰি উন্নত নগৰ আন্তঃগাঁথনিৰ প্রয়োজনীয়তা অনুভৱ কৰি অহা তিনিচুকীয়াবাসীৰ মাজত নতুন আশাৰ সঞ্চাৰ কৰিছে। চহৰখনৰ সৌন্দর্যবর্ধন, ক্রীড়া আৰু সাংস্কৃতিক ক্ষেত্রৰ বিকাশৰ লগতে নাগৰিকসকলৰ বাবে উন্নত ৰাজহুৱা সুবিধা গঢ়ি তোলাৰ দিশত এই পদক্ষেপসমূহে বিশেষ ভূমিকা গ্রহণ কৰিব বুলি আশা কৰা হৈছে। অনুষ্ঠানত মুখ্যমন্ত্রীগৰাকীয়ে তিনিচুকীয়াৰ ঐতিহ্য আৰু ৰাজহুৱা জীৱনৰ সৈতে জড়িত কেই বাটাও গুৰুত্বপূর্ণ স্থানৰ উন্নয়ন আৰু সৌন্দর্যবর্ধনৰ বাবে পুঁজিৰ কথা ঘোষণা কৰি প্রকল্পসমূহৰ শিলান্যাস কৰে। ইয়াৰ ভিতৰত বৰগোধা পুখুৰীৰ সৌন্দর্যবর্ধনৰ বাবে ২ কোটি ৩৩ লাখ টকা, শ্বহীদ পিয়লি ফুকন খেলপথাৰৰ উন্নয়ন আৰু সৌন্দর্যবর্ধনৰ বাবে ৪ কোটি ৫৪ লাখ

(নপৃষ্ঠাত চাওক)

স্থানীয় বিধায়কৰে

জনাবলৈও মুখ্যমন্ত্রীয়ে পৰামর্শ দিছে। ইয়াৰ জৰিয়তে ৰাইজৰ সৈতে চৰকাৰৰ সম্পর্ক অধিক শক্তিশালী হ'ব বুলি মুখ্যমন্ত্রীয়ে পত্রখনত উল্লেখ কৰিছে। মুখ্যমন্ত্রী ডঁ শর্মাই লগতে কয় যে কোনো বিভাগীয় বৈঠক আৰু চৰকাৰী পর্যালোচনাত স্থানীয় বিধায়ক গৰাকীৰ অংশগ্রহণৰ প্রয়োজনীয়তা নাথাকিলেও তেওঁক আগতীয়াকৈ অৱগত কৰোৱা উচিত। এই পদক্ষেপে জনকল্যাণৰ প্রতি পাৰস্পৰিক দায়বদ্ধতাৰ মনোভাবক প্রতিফলিত কৰিব। প্রশাসন ব্যৱস্থাত সহযোগিতামূলক দৃষ্টিভংগীৰ গুৰুত্বৰ কথা উল্লেখ কৰি পত্রখনত মুখ্যমন্ত্রী ডঁ শর্মাই কয় যে জনসাধাৰণৰ সৈতে ৰক্ষা কৰা ঘনিষ্ঠ সম্পর্ক আৰু স্থানীয় ৰাইজৰ আশা-আকাংক্ষা তথা অগ্রাধিকাৰসমূহৰ বিষয়ে সম্যকজ্ঞান থকা বাবে নির্বাচিত জনপ্রতিনিধিসকল উন্নয়ন প্রক্রিয়াৰ এক গুৰুত্বপূর্ণ অংশীদাৰ। মন্ত্রী আৰু বিধায়কসকলৰ মাজত সুন্দৰ সমন্বয়ে প্রশাসন ব্যৱস্থাক অধিক সমৃদ্ধ কৰাৰ লগতে উন্নয়নমূলক পদক্ষেপসমূহৰ ফলপ্রসূ ৰূপায়ণত সহায় কৰিব বুলি তেওঁ মত প্রকাশ কৰে। মুখ্যমন্ত্রীয়ে লগতে কয় যে চৰকাৰী কার্যসূচীত স্থানীয় বিধায়কগৰাকীৰ সক্রিয় অংশগ্রহণৰ জৰিয়তে সামুহিক প্রচেষ্টা আৰু জনকল্যাণৰ প্রতি উমৈহতীয়া দায়বদ্ধতাৰ এক সংস্কৃতি গঢ় লৈ উঠিব।


আৰক্ষীৰ জিম্মাৰ পৰা ঘনকান্ত পলালে দায়বদ্ধ হ'ব ডিচিপি



ৰঙিলী বার্ত্তাসেৱা- পাঁচজনকৈ লোকক শূন্য দূৰত্বৰ পৰা গুলীয়াই হত্যা কৰা মহাপ্রৱঞ্চক, হত্যাকাৰী ঘনকান্ত গগৈৰ এনকাউন্টাৰলৈ ভয়। আনক হত্যা কৰিবলৈ হাত নকঁপা ঘাতক ঘনকান্তই এতিয়া সুৰক্ষা বিচাৰি আদালতত আৱেদন দাখিল কৰিছে। ৰাজ্যজুৰি চাঞ্চল্য সৃষ্টি কৰা মহানগৰীৰ লাচিত নগৰস্থিত বিলাস ইন হোটেলৰ হত্যাকাণ্ডৰ লগত জড়িত ঘাতক ঘনকান্ত গগৈক কামৰূপ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতে ৭ দিনৰ আৰক্ষীৰ জিম্মালৈ প্রেৰণ কৰাৰ সমান্তৰালকৈ ঘনকান্ত গগৈৰ অধিবক্তাৰ আবেদনৰ ভিত্তিত আচামীৰ অধিকাৰ, নিৰাপত্তা আৰু সুৰক্ষাক লৈও কেতবোৰ নীতি-নির্দেশনা প্রদান কৰিছে। ঘনকান্ত গগৈক আৰক্ষীৰ জিম্মাত ৰখা আৰু জেৰা কৰাৰ ক্ষেত্রত মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতে দিয়া নির্দেশনা অনুসৰি অভিযুক্তক কোনো তথ্য বা প্রমাণ উদ্ধাৰৰ বাবে লৈ যোৱাৰ ক্ষেত্রত উপ-আৰক্ষী অধীক্ষক অর্থাৎ ডিএছপিৰ পদমর্যাদাৰ তলৰ কোনো আৰক্ষী বিষয়াক আৰক্ষী প্রশাসনে দায়িত্ব দিব নোৱাৰিব। অর্থাৎ তথ্য-প্রমাণ সংগ্রহৰ বাবে অভিযুক্ত ঘনকান্ত গগৈক স্থান পৰিদর্শনকে ধৰি অন্যান্য সম্পর্কীয় ব্যৱস্থাত এগৰাকী ডিএছপি পর্যায়ৰ বিষয়া লগত যাব লাগিব। আদালতে আৰক্ষী প্রশাসনক নির্দেশ দিয়া অনুসৰি তথ্য বা প্রমাণ উদ্ধাৰৰ বাবে অভিযুক্তক সূর্যাস্তৰ পিছত আৰু সূর্যোদয়ৰ আগতে লৈ যাবলগীয়া হ'লে তেওঁৰ সৈতে উপযুক্ত আৰক্ষী পহৰাৰ ব্যৱস্থা থাকিব লাগিব। আৰক্ষীৰ জিম্মাত থকা অৱস্থাত অভিযুক্তক কোনোধৰণৰ শাৰীৰিক বা মানসিকভাৱে নির্যাতন চলাবলৈকো বাৰণ কৰিছে আদালতে। অর্থাৎ জিম্মাত থকা অৱস্থাত অভিযুক্ত ঘনকান্ত গগৈক সোধা-পোছাৰ

(নপৃষ্ঠাত চাওক)

দেউতাঃ নীৰৱে জ্বলি শেষ হোৱা এটি মমবাতি



প্ৰেম বৈষ্ণৱ, বিহালী, বিশ্বনাথ

নিস্তব্ধ আন্ধাৰ কোঠালী এটাত জ্বলি থকা মমবাতি এডাললৈ চালে মানৱ জীৱনৰ আটাইতকৈ গভীৰ আৰু মৰ্মস্পৰ্শী সত্যটো প্ৰতিভাত হৈ পৰে। মমবাতিডালে চৌপাশৰ অন্ধকাৰ দূৰ কৰি আনক পোহৰ উপহাৰ দিবলৈ গৈ প্ৰতিটো পলতে নিজৰ শৰীৰটো গলাই নিঃশেষ কৰি থাকে। পোহৰ বিলাই থকা সেই শিখাটোৰ অপৰূপ উজ্জ্বলতাত মুগ্ধ হৈ পৃথিৱীয়ে আনন্দ উৎসৱ পাতে; কিন্তু তললৈ নীৰৱে বাগৰি পৰা তপত মমৰ টোপালবোৰৰ বুকুত কিমান বিষাদ আৰু দহন লুকাই থাকে, তাৰ খবৰ ৰাখিবলৈ কাৰো আহৰি নাথাকে। আমাৰ সমাজত এজন দেউতাৰ অস্তিত্বও ঠিক তেনেকুৱাই। দেউতা হ'ল এক মৌন সত্তা, যাৰ ত্যাগক লৈ কোনো মহাকাব্য ৰচনা কৰা নহয়, যাৰ চকুলোক লৈ কোনো কবিয়ে সুমধুৰ গীত নিৰ্মাণ নকৰে; অথচ যাৰ দেহ-মনৰ নীৰৱ দহনে পৰিয়ালটোৰ অস্তিত্বক অন্ধকাৰৰ বুকুত চিৰদিন এক সুদৃঢ় নিৰাপত্তাৰ পোহৰ প্ৰদান কৰি ৰাখে। সন্তানৰ জীৱনক পোহৰাই তুলিবলৈ গৈ নিজকে তিল তিলকৈ নিঃশেষ কৰি দিয়া এই মমবাতিৰূপী মানুহজনৰ জীৱন-কাহিনী হৈছে নীৰৱ সাধনা আৰু আত্মবলিদানৰ এক অবিনাশী ইতিহাস।

পৃথিৱীৰ প্ৰতিজন দেউতাৰো এটা সময়ত একোখন নিজস্ব বিশাল আৰু স্বপ্নময় আকাশ আছিল। যেতিয়ালৈকে তেওঁৰ পিতৃত্বৰ সেই মহৎ মমবাতিডাল জ্বলি উঠা নাছিল, তেতিয়ালৈকে তেওঁ আছিল নিজৰ মনৰ একান্ত ৰজা। সেই আকাশত মুক্তমনে পাখি মেলি উৰি ফুৰিছিল তেওঁৰ শৈশৱৰ হেঁপাহ, কৈশোৰৰ উন্মাদনা আৰু যৌৱনৰ অগণন ৰঙীন সপোন। হয়তো কোনোবা দেউতাই এদিন নিজৰ মেধা আৰু প্ৰতিভাৰে বিশ্বজয় কৰাৰ সপোন দেখিছিল; কোনোবাই হয়তো কলা, সাহিত্য, সংগীত অথবা খেল-ধেমালিৰ মাজত নিজৰ সমগ্ৰ জীৱন উৎসৰ্গা কৰাৰ গভীৰ সংকল্প লৈছিল; নাইবা কোনোবাই হয়তো মুক্ত বতাহৰ দৰে দেশ-বিদেশ ভ্ৰমণ কৰি জীৱনটোক নিজৰ ছন্দেৰে উপভোগ কৰিব বিচাৰিছিল। তেওঁৰ অন্তৰতো আছিল বহু অপূৰ্ব আশা আৰু নিজস্ব ব্যক্তিগত আকাংক্ষাৰ এক সেউজীয়া বাগিচা।

কিন্তু সময়ৰ নিষ্ঠুৰ আৰু অপৰিৱৰ্তনীয় নিয়মৰ মাজেৰে এদিন সেই ডেকা ল'ৰাজনৰ কোলাত যেতিয়া এটি সন্তানে প্ৰথমবাৰৰ বাবে চকু মেলি চালে, সেই এক পৱিত্ৰ ক্ষণতেই যেন তেওঁৰ জীৱনৰ সমগ্ৰ গতিপথ চিৰদিনৰ বাবে সলনি হৈ গ'ল। যেন এক অদৃশ্য সত্তাই আহি সেইদিনাই তেওঁৰ ভিতৰত থকা দেউতা নামৰ মমবাতিডালত আত্মত্যাগৰ প্ৰথম শিখাটো জ্বলাই দিলে। সন্তানৰ কোমল হাতৰ এটি সামান্য স্পৰ্শ, ওঁঠৰ এটি নিষ্পাপ হাঁহি আৰু বুকুৰ মাজত শুই থকা এটি ক্ষুদ্ৰ প্ৰাণে দেউতাক মুহূর্তৰ ভিতৰতে নিজৰ সমস্ত অস্তিত্ব আৰু ব্যক্তিস্বাতন্ত্ৰ্যক পাহৰাই পেলালে। নিজৰ বাবে ইমান দিনে অতি যতনেৰে সজাই থোৱা সপোনবোৰ তেওঁ কোনো আক্ষেপ নকৰাকৈ এটা এটাকৈ সামৰি মনৰ কোনো এক অন্ধকাৰ কোঠাত চিৰদিনৰ বাবে সাঁচি থ'বলৈ বাধ্য হ'ল। সেই পৱিত্ৰ দিনটোৰ পৰাই আৰম্ভ হ'ল সন্তানৰ সোণালী ভৱিষ্যত নিৰ্মাণৰ বাবে নিজৰ সমস্ত ইচ্ছা আৰু বৈভৱক নীৰৱে গলাই নিঃশেষ কৰাৰ এক কৰুণ অথচ অপূৰ্ব মহাযাত্ৰা।

এজন পুৰুষ যেতিয়া পিতৃত্বৰ মৰ্যাদাৰে অভিষিক্ত হয়, তেতিয়া তেওঁৰ কান্ধত নামি আহে

(সাত পৃষ্ঠাত চাওক)

বুকুৰ শূন্যতা



ৰশ্মি ৰেখা দুৱৰা, ডিব্ৰুগড়

ফুলিব ধৰোঁতে কিয় সৰি পৰিলা ?
সযতনে ৰখাৰ অশেষ কষ্ট কৰিছিলোঁ
ৰাখিবলৈ সুবিধাই নিদিলা।
এচাতি পোহৰ হৈ ধৰালৈ নামি আহিছিলা
আকাশৰ পৰা সৰি পৰিছিল আনন্দৰ ৰৱষুণ,
সেই সময় খন্তেকীয়া আছিল।
সপোনবোৰ বাস্তৱত পৰিণত নহ'ল
চিৰদিন এজাক ধুমুহা হৈ বলি ৰ'ল
হৃদয়ৰ অন্তস্থ কোণত।
দিন বাগৰি গ'ল
বুকুৰ কেঁচা ঘাঁ টুকুৰা বাঞ্জি গৈ থাকিল,
কোনো চিকিৎসকে শুকুৱাব নোৱাৰা এটুকুৰা ঘাঁ।
কেতিয়াবা বাধ্যত পৰি সময়বোৰো নিষ্ঠুৰ হয়,
নভবাকৈয়ে বিয়োগ হৈ শূন্যতাই হেঁচুকি ধৰে
যোগ হ'বলৈ কিন্তু কোনো সংখ্যাই নাথাকে।
আকাশৰ বুকুৰে সামৰি ৰাখিছে তোমাক
হিয়া উজাৰি আলফুলে,
তৰাৰ দেশত উজলি উঠা ৰঙীন বোলেৰে।

ক্ষমতাৰ অহংকাৰ আৰু শ্ৰেষ্ঠত্বৰ অৱসান



প্ৰদীপ দাস,তিতাবৰ, যোৰহাট

আদিম কালৰে পৰা ক্ষমতা, বুদ্ধি আৰু শ্ৰেষ্ঠত্বৰ অহংকাৰে মানুহক প্ৰায়ে অন্ধ কৰি আহিছে। যেতিয়া এজন ব্যক্তিয়ে নিজকে আটাইতকৈ বুদ্ধিমান, শ্ৰেষ্ঠ বা শক্তিশালী বুলি ভাবিবলৈ লয়, তেতিয়াই তেওঁৰ পতনৰ বীজ ৰোপণ হয়। এনে অহংকাৰী মনস্তত্ত্বৰ আটাইতকৈ ডাঙৰ দুৰ্বলতা হ'ল- নিজতকৈ আনক হীন, দুৰ্বল বা তুচ্ছ বুলি গণ্য কৰা। ইতিহাস, পুৰাণ আৰু সময়ৰ চক্ৰই এই সম্পৰ্কে প্ৰমাণ কৰিছে যে যিজনক আটাইতকৈ হীন বুলি অৱজ্ঞা কৰা হয়, শেষত সেইজনৰ চৰণতে অহংকাৰীজনে মূৰ দোঁৱাবলৈ বা শৰণাপন্ন হ'বলৈ বাধ্য হয়। ই কেৱল এক কাকতালীয় ঘটনা নহয়, ৰৱঞ্চ প্ৰকৃতি আৰু মানৱ মনস্তত্ত্বৰ এক অমোঘ নিয়ম।

যেতিয়া কোনো ব্যক্তিয়ে ক্ষমতাৰ শিখৰত উপনীত হয়, তেতিয়া তেওঁলোকৰ মনত একপ্ৰকাৰৰ শ্ৰেষ্ঠত্বৰ অহংকাৰ (Superiority Complex) গঢ়ি উঠে। তেওঁলোকে ভাবিবলৈ লয় যে তেওঁলোকৰ সিদ্ধান্তই সঠিক আৰু তেওঁলোকৰ বুদ্ধি অপৰাজিত। এই অহংকাৰৰ বশৱৰ্তী হৈ তেওঁলোকে নিজৰ চাৰিওফালৰ সাধাৰণ মানুহ বা প্ৰতিপক্ষক অতি তুচ্ছ জ্ঞান কৰে। তেওঁলোকে পাহৰি যায় যে বুদ্ধি বা ক্ষমতা স্থায়ী নহয় আৰু ই কেতিয়াও এজন ব্যক্তিৰ মাজত সীমাবদ্ধ হৈ নথাকে। এই অন্ধত্বৰ বাবেই তেওঁলোকে সন্মুখত থকা নিম্ন অথবা হীন বুলি ভবা মানুহজনৰ প্ৰকৃত শক্তিক বুজিব নোৱাৰে। বিশ্ব ইতিহাসত এনে বহু শক্তিশালী ব্যক্তি আছিল, যিসকলে নিজৰ পদৰ তলত গোটেই পৃথিৱী থকা বুলি ভাবিছিল, কিন্তু অৱশেষত তেওঁলোকে 'হীন' বুলি ভবাজনৰ ওচৰত আশ্ৰিত হ'বলগীয়া হৈছিল।


ৰোমৰ আটাইতকৈ শক্তিশালী সামৰিক জেনেৰেল আৰু একচ্ছত্ৰী শাসক জুলিয়াছ চিজাৰ বা পৰৱৰ্তী সময়ত মাৰ্ক এণ্টনিয়ে নিজকে বিশ্বৰ ভাগ্যবিধাতা বুলি ভাবিছিল। তেওঁলোকৰ তুলনাত ইজিপ্টৰ যুৱ ৰাজকুমাৰী ক্লিওপেট্ৰাৰ সামৰিক শক্তি আছিল অতি নগণ্য। কিন্তু ক্লিওপেট্ৰাৰ অপৰিসীম ৰাজনৈতিক বুদ্ধি আৰু ব্যক্তিত্বৰ সন্মুখত ৰোমৰ এই মহাশক্তিশালী পুৰুষসকল এনেদৰে ধাৰাষায়ী হৈছিল যে শেষত তেওঁলোকে ক্লিওপেট্ৰাৰ ইচ্ছা আৰু স্বাৰ্থৰ ওচৰত শৰণাপন্ন হ'বলগীয়া হৈছিল। একেদৰে ফ্ৰান্সৰ সম্ৰাট নেপোলিয়ন বোনাপার্টে সমগ্ৰ ইউৰোপ জয় কৰি নিজকে অপৰাজেয় বুলি ভাবিছিল। তেওঁ যেতিয়া ৰাছিয়া আক্ৰমণ কৰিছিল, তেতিয়া ৰাছিয়াৰ সৈন্য আৰু তাৰ সাধাৰণ গ্ৰাম্য সমাজক অতি হীন আৰু দুৰ্বল বুলি ভাবিছিল। কিন্তু ৰাছিয়াৰ মানুহে নেপোলিয়নৰ অহংকাৰী বিশাল সৈন্যবাহিনীক এনে এক পৰিস্থিতিলৈ টানি আনিলে য'ত ক্ষুধা আৰু শীতৰ প্ৰকোপত নেপোলিয়নে নিজৰ সৰ্বস্ব হেৰুৱাই অপমানজনকভাৱে পিছুৱাই যাবলগীয়া হৈছিল।

১৯ শতিকাৰ শেষৰ পিনে বিখ্যাত পদাৰ্থ বিজ্ঞানী লৰ্ড কেলভিনে (Lord Kelvin) অহংকাৰ কৰি ঘোষণা কৰিছিল যে পদাৰ্থ বিজ্ঞানত নতুনকৈ আৱিষ্কাৰ কৰিবলগীয়া একো বাকী নাই, কেৱল কিছুমান জোখ-মাখ নিখুঁত কৰিবলৈহে বাকী আছে। তেওঁ সেই সময়ৰ নৱপ্ৰজন্মৰ নতুন ধাৰণাবোৰক ভিত্তিহীন বুলি উলাই কৰিছিল। কিন্তু ইয়াৰ ঠিক পিছতেই এলবার্ট আইনষ্টাইনৰ আপেক্ষিকতাবাদ (Relativity) আৰু কোৱাণ্টাম মেকানিক্সৰ দৰে বৈপ্লৱিক তত্ত্বৰ জন্ম হয়। কেলভিনে যি নতুন চিন্তাধাৰাক

(বাৰপৃষ্ঠাত চাওক)

বিদেশৰ মোহত হেৰাই যোৱা বিবেকঃ মেধা নিষ্কাশন নে মানসিক দেউলীয়া?

শচীন্দ্ৰ কুমাৰ দাস, পলাশবাৰী



বৰ্তমান সময়ত আমাৰ সমাজত এটা ডাঙৰ প্ৰৱণতা বা সপোন দেখা যায়- ল'ৰা-ছোৱালীক পঢ়ুৱাই-শুনুৱাই বহুত ডাঙৰ কৰিব লাগে, ডাক্তৰ-ইঞ্জিনিয়াৰ বা বিজ্ঞানী বনাব লাগে। মাক-বাপেকে নিজৰ জীৱনৰ তেজ- পানী একাকাৰ কৰি, সকলো সুখ- আহ্লাদ বিসৰ্জন দি সন্তানক উচ্চ শিক্ষাৰে দীক্ষিত কৰে। কিন্তু অতি পৰিতাপৰ বিষয় যে, এই সপোনবোৰ যেতিয়া বাস্তৱ হয়, তাৰ পিছৰ ছবিখন বহু সময়ত অতি ভয়াৱহ আৰু মৰ্মান্তিক হৈ পৰে।

যিখন দেশৰ মাটি, পানী আৰু বায়ু লৈ সন্তানজন ডাঙৰ-দীঘল হ'ল, যিখন সমাজৰ সা-সুবিধা লৈ তেওঁ নিজকে এজন যোগ্য ব্যক্তি হিচাপে প্ৰতিষ্ঠা কৰিলে, সফল হোৱাৰ পিছত সেই একেজন ব্যক্তিয়েই নিজৰ দেশ, নিজৰ মাটিৰ গোন্ধ আৰু নিজৰ সংস্কৃতিক ক্ষন্তেকতে পাহৰি পেলায়। বিদেশৰ চকুত চমক লগা আলোকসজ্জা, বিলাসী গাড়ী, অট্টালিকা আৰু মোটা অংকৰ দৰমহাৰ মোহত অন্ধ হৈ তেওঁলোকে নিজৰ শিপাডালকে কাটি পেলায়। নিজৰ দেশক 'অনগ্ৰসৰ' বা 'সুবিধাহীন' বুলি অভিহিত কৰি, তেওঁলোকে সাত সাগৰ তেৰ নদীৰ পাৰত গৈ আশ্ৰয় লয় আৰু নিজৰ পৰিয়ালৰ তথাকথিত সুখ-সন্তোষৰ ভুৱা পৃথিৱী এখনত বিলীন হৈ পৰে।

অৰ্থনীতি বা সমাজবিজ্ঞানৰ ভাষাত ইয়াক হয়তো 'মেধা নিষ্কাশন' (Brain Drain) বুলি এটা বহল সংজ্ঞা দিয়া হয়। কিন্তু প্ৰকৃত অৰ্থত, ইয়াক কেৱল মেধা নিষ্কাশন বুলি ক'লে ভুল হ'ব; ই আচলতে এক চৰম স্বাৰ্থপৰতা, সুবিধাবাদ আৰু 'মানসিক দেউলীয়া'।

প্ৰশ্ন হয়, যিসকল লোকে নিজৰ জন্মদাত্ৰী মাতৃ, পিতৃ আৰু মাতৃভূমিৰ প্ৰতি থকা ন্যূনতম কৰ্তব্যখিনি পালন কৰিব নোৱাৰে, তেওঁলোকৰ সেই ডাঙৰ ডাঙৰ ডিগ্ৰীবোৰৰ মূল্য কি? আমাৰ দেশৰ সাধাৰণ মানুহৰ কৰৰ (Tax) পইচাৰে চলা চৰকাৰী শিক্ষানুষ্ঠানত পঢ়ি, ইয়াৰ সা-সুবিধা লৈ অৱশেষত অইন এখন দেশক সেৱা কৰাটো এক প্ৰকাৰৰ নৈতিক বিশ্বাসঘাতকতা। আজি আমাৰ দেশৰ শ্ৰেষ্ঠ ডাক্তৰজনে বিদেশত বহি বিদেশী লোকৰ চিকিৎসা কৰি আছে, অথচ আমাৰ নিজৰ গাঁৱৰ দুখীয়া মানুহজনে অলপ চিকিৎসাৰ অভাৱত প্ৰাণ হেৰুৱাবলগীয়া হৈছে। ইয়াতকৈ দুৰ্ভাগ্যজনক কথা কিবা হ'ব পাৰে?

আটাইতকৈ হাঁহি উঠা আৰু পৰিতাপৰ কথাটো হ'ল, যিসকল লোকে নিজৰ নিজৰ স্বাৰ্থক সৰ্বস্ব বুলি ভাবি বিদেশলৈ ঢাপলি মেলে, তেওঁলোকে এটা ডাঙৰ সত্য পাহৰি যায়- ভাষা-সংস্কৃতি, ৰীতি-নীতি অনুকৰণ কৰিবলৈ চেষ্টা নকৰক কিয়, সেই দেশৰ থলুৱা মানুহে তেওঁলোকক কেতিয়াও নিজৰ বুলি আদৰি নলয় বা পূৰ্ণ মৰ্যাদা নিদিয়ে। ই এক চিৰন্তন সত্য।

যেতিয়া এইসকল লোকে বিদেশৰ মাটিত নিজৰ প্ৰাপ্য মৰ্যাদা বা মানসিক শান্তি বিচাৰি নাপায়, তেতিয়া তেওঁলোকৰ মনত এক গভীৰ হীনমান্যতাহে গা কৰি উঠে। আৰু এই হীনমান্যতা আৰু পৰাধীনতাৰ গ্লানি ঢাকিবৰ বাবেই তেওঁলোকে বিদেশৰ মাটিত 'সমাজ' পাতি লয়। তাত বিহু, দুৰ্গাপূজা বা অন্যান্য ধৰ্মীয় উৎসৱ-পাৰ্বনৰ আয়োজন কৰি সামাজিক মাধ্যমত (Social Media) এক ডাঙৰ প্ৰদৰ্শন আৰম্ভ কৰে।

কিন্তু আচলতে ই এক ফোঁপোলা প্ৰদৰ্শন আৰু অভিনয়ৰ বাদে একো নহয়। যিজন ব্যক্তিয়ে নিজৰ জন্মদাত্ৰী মাক-বাপেকক বৃদ্ধাশ্ৰমত এৰি থৈ আহিছে, নিজৰ আপোন পৰিয়ালৰ দুখ-কষ্টক চিনি পোৱা নাই, তেওঁ ধৰ্ম বা সংস্কৃতিৰ মৰ্ম কি বুজিব? ধৰ্মৰ মূল কথাই হ'ল সেৱা, ত্যাগ আৰু কৃতজ্ঞতা। মাক-বাপেকক 'লাত' মৰা লোক এজনে কৰা পূজাত কোনো আধ্যাত্মিকতা বা পবিত্ৰতা থাকিব নোৱাৰে; ই কেৱল লোকক দেখুওৱা এক ভেকচনহে। নিজৰ ঘৰখনক মৰিশালি কৰি বিদেশত সংস্কৃতিৰ বন্তি জ্বলাবলৈ বা প্ৰসাৰ কৰিবলৈ যোৱা এইসকল লোকৰ ধেমালি সমাজৰ বাবে কোনোদিনেই গ্ৰহণযোগ্য হ'ব নোৱাৰে।

উচ্চশিক্ষাই যদি এজন সন্তানক পিতৃ-মাতৃৰ চকুপানী বুজিব পৰা নকৰে, তেন্তে সেই শিক্ষা কেৱল এটা কাগজৰ টুকুৰাহে, তাত কোনো মানৱতা নাই। এই সমগ্ৰ সমস্যাটোৰ বাবে আমাৰ সমাজ আৰু অভিভাৱক সকলো সমানেই দায়ী। আমি ল'ৰা-ছোৱালীক কেৱল 'টকা উপাৰ্জন কৰা মেচিন' কৰাৰ শিক্ষা দিলোঁ। তেওঁলোকক ডাক্তৰ, অভিযন্তা বা বিজ্ঞানী হ'বলৈ শিকালোঁ, কিন্তু 'এজন ভাল মানুহ' হ'বলৈ নিশিকালোঁ। সন্তানক শৈশৱৰে পৰা কৃতজ্ঞতাবোধ, নৈতিকতা, দেশপ্ৰেম আৰু নিজৰ মাটিৰ প্ৰতি থকা দায়িত্ববোধৰ শিক্ষা দিয়াটো আটাইতকৈ জৰুৰী হয়।

যিসকল লোকে নিজৰ স্বাৰ্থৰ বাবে দেশ আৰু দহক লাত মাৰি গুচি যায়, তেওঁলোকক আমাৰ দেশত কেতিয়াও কোনো প্ৰাধান্য বা সন্মান দিব নালাগে। কিয়নো যিয়ে নিজৰ মাক আৰু মাতৃভূমিক সন্মান কৰিব নোৱাৰে, তেওঁ কেতিয়াও কাৰোৱে আপোন হ'ব নোৱাৰে। এতিয়া সময় হৈছে আমি কেৱল নম্বৰ বা ডিগ্ৰীৰ পিছত দৌৰাৰ সলনি সন্তানক মূল্যবোধৰ শিক্ষা দিয়াৰ, যাতে ভৱিষ্যতে কোনো পিতৃ-মাতৃৰ ঠাই বৃদ্ধাশ্ৰমত নহয় আৰু কোনো মেধাবী সন্তানে নিজৰ মাতৃভূমিক ত্যাগ কৰি বিদেশত গৈ হীনমান্যতাত ভুগিবলগীয়া নহয়।

পুৰুষ বৃক্ষৰ ছাঁ



শ্ৰুতিস্মীতা দেৱী

আপুনি জানো সেইজন নহয়
যিজন কাৰোবাৰ প্ৰিয়তম;
কাৰোবাৰ ভাতৃ, কাৰোবাৰ পিতৃ...!
চিনিছো মই আপোনাক,
আপুনিয়েইতো আছিল
সেইজন যাৰ দুবাহুৰ শকতিত
বিচাৰি পায় নিৰাপত্তাৰ আঁচোৰ...
কিয় বাৰু বিদ্ৰোহী সজালে আপোনাক,
যে আপোনাৰ বিষাদগ্ৰস্ততা ক্ষুব্ধ হৈ পৰিল,
আঁহতৰ শিপাৰ খামোচত গছৰ কুঁহিপাত মেলে।
আপুনি পিতৃ; আশ্ৰয় প্ৰত্যেক সন্তানৰ
আপুনি ভাতৃ; ৰক্ষক প্ৰত্যেক ভগ্নীৰ
আপুনি প্ৰিয়তম, ভালপোৱা প্ৰত্যেক প্ৰেয়সীৰ।
এনে বৰগছৰ ছাঁ,
চন্দ্ৰমাৰ শীতলতা
নিশ্চয় কৈ পুৰুষ....
হাঁহি হাঁহি দুখৰ শুকান চকুলো মচাজন
আপুনিয়েই..... নহয় জানো!
চিনিছো আপোনাক।


দেউতাঃ নীৰৱে জ্বলি শেষ

সমগ্ৰ সংসাৰখনৰ এক বিশাল দায়িত্ব। তেওঁৰ জীৱনৰ পৰা বিশ্ৰাম আৰু মানসিক আৰাম নামৰ শব্দ দুটা চিৰদিনৰ বাবে হেৰাই যায়। মমবাতিডালে যেনেকৈ বতাহৰ প্ৰচণ্ড খুন্দা সহ্য কৰিও নিজৰ শিখাটোক নুমাই যাবলৈ নিদিয়ে, ঠিক তেনেকৈয়ে দেউতাই জীৱনৰ সমস্ত প্ৰত্যাহ্বান নিজৰ বুকুপাতি গ্ৰহণ কৰে। পুৱাৰ ক্ৰমবৰ্ধমান ব্যস্ততাৰ পৰা আৰম্ভ কৰি নিশাৰ গভীৰ ক্লান্তিলৈকে দেউতাই অহৰহ অবিৰাম সংগ্ৰাম কৰি যায়। কৰ্মক্ষেত্ৰত নিষ্ঠুৰ বিষয়াৰ অকথ্য অপমান, ব্যৱসায়ত চৰম লোকচানৰ প্ৰচণ্ড আঘাত অথবা আত্মীয়-স্বজনৰ কুটিল প্ৰৱঞ্চনা- এই সকলোবোৰ যন্ত্ৰণা তেওঁ নীৰৱে নিজৰ বুকুৰ গভীৰতাত চেপি ৰাখে। বাহিৰৰ নিষ্ঠুৰ পৃথিৱীয়ে তেওঁৰ ওপৰত যিমানেই অপমানৰ বোজা জাপি নিদিয়ক কিয়, ঘৰৰ দুৱাৰদলিয়েদি সোমাই যেতিয়াই তেওঁ সন্তানৰ নিষ্পাপ মুখখন প্ৰত্যক্ষ কৰে, তেতিয়াই সকলো অৱসাদ আৰু অপমান পাহৰি এনেদৰে হাঁহি পেলায়, যেন তেওঁৰ দৰে সুখী মানুহ এই সমগ্ৰ পৃথিৱীত দ্বিতীয়জন নাই। সন্তানে যাতে কোনোদিন অভাৱৰ কণ্টকময় বাটত খোজ পেলাবলগীয়া নহয়, সন্তানৰ কোমল মনত যাতে কোনো হীনমন্যতাৰ বিষবাষ্প সোমাব নোৱাৰে, তাৰ বাবে দেউতাই নিজৰ ঘামক তেজ আৰু তেজক পানীলৈ ৰূপান্তৰিত কৰি অৰ্থ উপাৰ্জন কৰে।

দেউতাৰ এই আত্মবিলীন হোৱাৰ ছবিখন দৈনন্দিন জীৱনৰ অতি সাধাৰণ দৃশ্যবোৰৰ মাজতে অতিশয় স্পষ্ট হৈ ধৰা দিয়ে। বজাৰৰ ব্যস্ত দোকানলৈ গ'লে সন্তানৰ পছন্দৰ ব্ৰেণ্ডেড কাপোৰযোৰ, দামী খেলনাটো বা বিদ্যালয়ৰ প্ৰয়োজনীয় সামগ্ৰীখিনি কিনিবলৈ তেওঁৰ হাত এবাৰো নকঁপে। অথচ, সেই একেখন বজাৰতে নিজৰ বাবে এডাল নতুন কাপোৰ কিনিবলৈ গ'লে তেওঁৰ অন্তৰত হাজাৰটা সংকোচে ভিৰ কৰে। "মোৰ কাপোৰযোৰ আৰু কিছুদিন চলি যাব", "মোৰ ফটা চেণ্ডেলযোৰ মোচিয়ে চিলাই দিলেই পুনৰ পিন্ধিব পৰা হ'ব"- এনেধৰণৰ মৰ্মস্পৰ্শী অজুহাতবোৰ দেউতাৰ মুখত অতি সহজে ওলাই আহে। আচলতে তেওঁৰ কাপোৰযোৰ নতুন হৈ থকা নাছিল; তেওঁৰ চকুত সন্তানৰ মুখৰ এটি নিষ্পাপ হাঁহিৰ মূল্য নিজৰ সাজ-পোছাকৰ বাহ্যিক আড়ম্বৰতকৈ হাজাৰ গুণে বেছি আছিল।

আগলৈ...

বিবাহ বিচ্ছেদ কেতিয়াবা শুদ্ধ সিদ্ধান্তও হ'ব পাৰে



শংকৰ দেৱ, দেৱগাঁও

আজিৰ এই আধুনিকতম পৰিবেশত দ্রুতগতিত আগবাঢ়ি অহা শিক্ষিত মানদণ্ডৰে পূর্ণ এক নিৰপেক্ষ শিক্ষিত সমাজ ব্যৱস্থাত বিবাহ বিচ্ছেদ (Divorce)ৰ সিদ্ধান্ত মানেই যে এক ভুল সিদ্ধান্ত, এইটো কেতিয়াও ক'ব নোৱাৰি। বর্তমান সময়ত সমাজ ব্যৱস্থা, জীৱন-শৈলী আৰু মানুহৰ মানসিকতা দ্রুতগতিত সলনি হৈ আহিছে। এই পৰিবর্তনৰ মাজতেই বৈবাহিক জীৱন পালন কৰা ধাৰণাটোও এক নতুন দিশলৈ গতি কৰিছে। আগতে বৈবাহিক জীৱন একমাত্র এক অবিচ্ছেদ্য বন্ধন বুলি গণ্য কৰা হৈছিল যদিও, এতিয়া বাস্তৱ জীৱনৰ বহু জটিল পৰিস্থিতিয়ে দেখুৱাইছে যে সকলোৰে বাবে বিবাহিত জীৱন সফল নহবও পাৰে। বিশেষকৈ বিবাহিত জীৱনৰ সফলতা নির্ভৰ কৰে পাৰস্পৰিক বুজাবুজি, বিশ্বাস, সহনশীলতা আৰু এজনে আনজনক জনোৱা সন্মানৰ ওপৰত। কিন্তু আধুনিক জীৱনৰ ব্যস্ততা, আর্থিক চাপ, কর্মক্ষেত্রৰ প্রতিযোগিতা আৰু ব্যক্তিগত স্বাধীনতাৰ চাহিদাই বহু সময়ত দাম্পত্য জীৱনত বিভিন্ন সংঘাতৰ সৃষ্টি কৰে। ভাৰতীয় পৰিসংখ্যা অনুসৰি চহৰীয়া অঞ্চলত বিবাহ-বিচ্ছেদৰ ঘটনা ক্রমান্বয়ে বৃদ্ধি পাবলৈ ধৰিছে । বিশেষকৈ শিক্ষিত আৰু কর্মৰত মহিলাসকলৰ মাজত আত্ম নির্ভৰশীলতাৰ বৃদ্ধিয়ে নিজৰ অধিকাৰ আৰু সন্মানৰ বাবে দৃঢ় সিদ্ধান্ত লোৱাৰ প্রৱণতা বৃদ্ধি পাই উঠিছে।

বিবাহ বিচ্ছেদৰ ক্ষেত্রত এক গুৰুত্বপূর্ণ কাৰণ হৈছে মানসিক আৰু শাৰীৰিক অত্যাচাৰ। এনে ক্ষেত্রত বিবাহ বিচ্ছেদ মানেই যে সদায় ভুল সিদ্ধান্ত, ইয়াক দৃঢ়তাৰে ক'ব নোৱাৰি, কেতিয়াবা ই জীৱন সুৰক্ষিত কৰিবলৈ লোৱা এক সাহসী পদক্ষেপ বুলিও ভাবিব লাগিব। যেতিয়া স্বামী-স্ত্রী ৰ সম্পর্কটোত সুখ- শান্তি নাইকিয়া হয়, প্রতিদিনে দুখ, অপমান আৰু মানসিক চাপত জীৱন কটাব লগীয়া হয়, তেতিয়া নিজকে সুৰক্ষিত কৰি ৰাখিবলৈ এই বিবাহ বিচ্ছেদৰ পথ বাছি লোৱাটোৱেই এটা শেষ উপায় যেন হৈ পৰে। গৃহহিংসা, অবহেলা, আসক্তি (মদ বা মাদক দ্রব্যৰ প্রভাৱ) আৰু অবিশ্বাস আদিৰ দৰে সমস্যাই বহু দাম্পত্য জীৱন ভাঙি পেলায়। এনে পৰিস্থিতিত কেৱল "সমাজে কি ক'ব" বুলি ভাবি এইবোৰ সহ্য কৰি থকা মানেই নিজৰ জীৱন আৰু মানসিক স্বাস্থ্যক বিপদত পেলোৱা হয় । এনে ক্ষেত্রত বিবাহ বিচ্ছেদ এজন ব্যক্তিৰ বাবে মুক্তি আৰু আত্মৰক্ষাৰ পথ হিচাপে কাম কৰে।

আজিৰ শিক্ষিত সমাজে বিবাহ বিচ্ছেদক কেৱল ব্যর্থতা বা ভুল সিদ্ধান্ত বুলি অভিহিত কৰা উচিত নহয়। ই কেতিয়াবা জীৱনৰ অশান্তি আৰু কষ্টৰ পৰা মুক্ত হৈ এক নতুন জীৱনৰ আৰম্ভণি কৰাৰ সুযোগ হ'বও পাৰে। সেইয়ে সমাজে এই বিষয়টো অধিক সংবেদনশীলতা, সহানুভূতি আৰু বাস্তৱবোধেৰে লক্ষ্য কৰা উচিত। মানুহৰ সুখ, সুৰক্ষা আৰু আত্মসম্মান সকলোতকৈ গুৰুত্বপূর্ণ- এই বোধেৰে বিবাহ বিচ্ছেদৰ দৰে সিদ্ধান্তক মূল্যায়ন কৰাৰ সময় আহি পৰিছে।

অন্য এটা গুৰুত্বপূর্ণ দিশ হৈছে সন্তানৰ কল্যাণ। বহুতে ভাবে যে বিবাহ বিচ্ছেদে সন্তানৰ ওপৰত ঋণাত্মক প্রভাৱ পেলাব, কিন্তু গৱেষণাই দেখুৱাইছে যে অহৰহ হাই কাজিয়া আৰু অশান্তিৰ মাজত ডাঙৰ হোৱা সন্তানৰ মানসিক বিকাশত অধিক ক্ষতি হয়। তাৰ বিপৰীতে, শান্ত আৰু সুস্থ পৰিৱেশত (যদিও পিতৃ-মাতৃ পৃথক) ডাঙৰ হোৱা সন্তান অধিক সুস্থ মানসিকতা লাভ কৰিব পাৰে।

এইটো অতিকৈ মন কৰিবলগীয়া বিষয় যে বিবাহ বিচ্ছেদ হঠাতে লোৱা কোনো সিদ্ধান্ত নহয়, ই জীৱনৰ এক অত্যন্ত গুৰুত্বপূর্ণ সিদ্ধান্ত। এই সিদ্ধান্ত আইনগত, সামাজিক আৰু মানসিক প্রক্রিয়া, যাৰ বাবে সময়, ধৈর্য আৰু সুস্থ চিন্তা-ভাৱনাৰ যথেষ্ট প্রয়োজন । পৰামর্শদাতা, পৰিয়ালৰ বয়োজ্যেষ্ঠ বা মানসিক স্বাস্থ্য বিশেষজ্ঞৰ সহায় লোৱা এই ক্ষেত্রত অতিকৈ প্রয়োজন। বহু ক্ষেত্রত আলোচনা আৰু বুজাবুজিৰ মাধ্যমেৰেও সমস্যাৰ সমাধান সম্ভৱ হৈ উঠে।

শেষত ক'ব পাৰি যে আমাৰ সমাজত এযাৰ প্রচলিত কথা আছে যে ' যিয়ে ভোগে, তেওঁহে বুজে'।

সেইয়ে বিশেষকৈ বিবাহ বিচ্ছেদ হোৱা মানুহক দোষী সাব্যস্ত কৰি বেয়া দৃষ্টিৰে চাব নালাগে, প্রয়োজন অনুসৰি তেওঁলোকক বুজিবলৈ লগতে অনুভৱ কৰিবলৈ হে চেষ্টা কৰিব লাগে । কাৰণ ভুলৰ শুধৰণি কৰি জীয়াই থকাৰ অধিকাৰ সকলোৰে আছে। কেতিয়াবা এটা সম্পর্ক ভাঙি দিয়াটো জীৱনৰ আটাইতকৈ ডাঙৰ দুখ লগা বিষয় হ'ব পাৰে কিন্তু ই সময় আৰু পৰিস্থিতি অনুযায়ী বাধ্যতা মূলকো হ'ব পাৰে। বহু মানুহে বিভিন্ন সময়ত ব্যক্তি বিশেষে বিবাহ বিচ্ছেদ লোৱা লোকক প্রকৃততে বুজি নাপায় আৰু সহজতেই মন্তব্য কৰা দেখা পোৱা যায় যে "এনে কিয় কৰিলে?", " সংসাৰ খন কিয় ভাঙিলে" ? ইত্যাদি ইত্যাদি। তেওঁলোকে কেৱল এটা দিশহে লক্ষ্য কৰে কিন্তু এনে পৰিয়ালৰ ভিতৰত থকা দুখ, অশান্তি, অপমান, মানসিক - শাৰিৰীক নির্যাতন আদি লক্ষ্য কৰিব নিবিচাৰে । যাৰফলত বহু ক্ষেত্রত প্রকৃত কাৰণ অদৃশ্য হৈ থাকে।

ঠিকনা হেৰুৱা পক্ষী



হৰেন কপ্তাক

ঘন আন্ধাৰৰ মাজ বাটত
দিগ্-বিদিগ হেৰুৱায়
কেঁচা টোপনিৰ সপোন এটি,
শিল এচটা হৈ ফাটি আহে
বুকুৰ হুমুনিয়াহ!
ইফাল-সিফাল কৰি হাত মেলি ফুৰোঁ
বেজি এডাল বিচাৰি,
ঠিকনা হেৰুৱা পক্ষী হৈ উৰে
যাযাবৰী মন এটি
অচিন ৰাতিৰ চিনাকী সুৰ এটি হৈ
ভাঁহি আহে উইচিৰিঙাৰ মাত
ঠিকনাহীন নদীখনেও উৰে ৰাতি বৈ যায়
নিজৰ ঠিকনা বিচাৰি
ছন পৰা শব্দবোৰে গুঁজৰি গুমৰি
কবিতাৰ ঘৰ এটিত বাহ লয়
উদং বুকুৰ চৰণীয়া পথাৰত
দিহিঙে-দিপাঙে ঘূৰি-ফুৰে
অবুজ যন্ত্রণাৰ অন্তহীন বেদনা!

হতাশাৰ মাজত আশাৰ ৰেঙণি



নাচিমা য়াচমিন, বিশ্বনাথ চাৰিআলি

চৌদিশে হতাশা,
নিৰাশা, ব্যর্থতা,
সপোনবোৰ ভাঙি
চূর্ণ বিচূর্ণ হোৱা।
কেতিয়াবা অসহ্য লাগে
মনটো ভাগৰুৱা হৈ পৰে,
ৰক্তাক্ত কলিজাখনে
যন্ত্রণাত কাতৰ হৈ চিঞৰে।
হেৰৌ, ক'ত গলি সুখ
জীৱনটোত কিয় ইমান দুখ, ,
সকলো চেষ্টা ব্যর্থ,
জীৱনটোৰ নাই অর্থ।
ভাঙি পৰিও আকৌ উঠোঁ
নতুনকৈ জীয়াব সপোন দেখোঁ
হতাশাৰ মাজত আশাৰ ৰেঙণি বিচাৰো
হয়তোবা সুখৰ মুখেই দেখোঁ।

সর্বানন্দ সিংহ ষ্টেডিয়াম

আসনবিশিষ্ট টাউন হল আৰু প্রেক্ষাগৃহ চৌহদ পৰিদর্শন কৰি নির্মাণকার্যৰ বুজ লয়। তেওঁ প্রেক্ষাগৃহটোত অত্যাধুনিক শব্দ ব্যৱস্থা স্থাপনৰ পৰামর্শ আগবঢ়ায়। পৰৱর্তী সময়ত ডঃ শর্মাই প্রস্তাৱিত আন্তঃৰাজ্যিক বাহু আস্থান প্রকল্পস্থলী, তিনিচুকীয়াৰ বৰগুৱিত থকা সর্বানন্দ সিংহ ষ্টেডিয়াম আৰু লোণপুৱীয়া বঙালী গাঁৱত প্রস্তাৱিত স্বর্গদেউ সর্বানন্দ সিংহ সমন্বয় ক্ষেত্রস্থলী পৰিদর্শন কৰে। তেওঁ সর্বানন্দ সিংহ ষ্টেডিয়ামত অনুশীলনৰত খেলুৱৈসকলৰ সৈতে মত বিনিময় কৰে। ইয়াৰ উপৰি মুখ্যমন্ত্রীয়ে এডটেক স্কীল ইউনিভার্ছিটীৰ ট্রেনজিট কেম্পাছটো পৰিদর্শন কৰে আৰু শিক্ষানুষ্ঠানখনৰ শিক্ষার্থীসকলৰ কলা প্রদর্শনী এখন উপভোগ কৰে। পৰিদর্শনৰ অন্তত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্রীয়ে কয় যে তিনিচুকীয়া মেডিকেল কলেজৰ অভাৱ-অভিযোগসমূহ দূৰ কৰাৰ লগতে ইয়াত সা-সুবিধা বৃদ্ধিৰ বাবে কর্তৃপক্ষৰ সৈতে আলোচনা কৰি সিদ্ধান্ত লোৱা হ'ব। তেওঁ কয় যে সর্বানন্দ সিংহ ষ্টেডিয়ামখন পুনৰ নির্মাণ কৰিব লাগিব আৰু এই সন্দর্ভত আজি আলোচনা কৰা হয়। স্বর্গদেউ সর্বানন্দ সিংহ সমন্বয় ক্ষেত্রৰ বাবে লোণপুৱীয়া বঙালী গাঁৱত প্রস্তাৱিত ভূমিডোখৰ পৰিদর্শন কৰাৰ কথাও মুখ্যমন্ত্রীয়ে উল্লেখ কৰে।

জ্ঞানেশ কুমাৰ আৰু

প্রতিবাদকাৰী কংগ্রেছ কর্মীসকলে। উক্ত কার্যসূচীত ৰামপুৰ ব্লক কংগ্রেছৰ সভাপতি মাখন দাস, উদীয়মান যুৱ নেতা বিপ্লৱ তালুকদাৰ আৰু কামৰূপ জিলা মহিলা কংগ্রেছৰ সভানেত্রী দিপালী তালুকদাৰ উপস্থিত থাকি চৰকাৰৰ গণতন্ত্রবিৰোধী নীতিৰ বিৰুদ্ধে সৰব হৈ পৰে। তেওঁলোকৰ লগতে কংগ্রেছৰ বিভিন্ন মণ্ডল সভাপতি আৰু অগণন সক্রিয় সদস্য-সদস্যাই অংশগ্রহণ কৰি এই প্রতিবাদী কার্যসূচীক তীব্র ৰূপ দিয়ে। গণতন্ত্র ৰক্ষাৰ স্বার্থত কংগ্রেছৰ এই সংগ্রাম আগলৈও অব্যাহত থাকিব বুলি নেতৃত্বই হুংকাৰ প্রদান কৰে।

জনজাতীয়ৰ ভূমি

কেশৰ মহন্ত, ৰামেশ্বৰ তেলী, ডাঃ ৰণোজ পেগু, সুশান্ত ৰবগোহাঁইৰ লগতে বিশেষ মুখ্য সচিব এম কে যাদৱ, ৰাজহ আৰু দুর্যোগ ব্যৱস্থাপনা বিভাগৰ অতিৰিক্ত মুখ্য সচিব এল এছ ছাংছন, বিভিন্ন জনগোষ্ঠীয় সংগঠনৰ শীর্ষ নেতৃত্ব, কেইবাখনো স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কার্যবাহী সদস্য আৰু অন্যান্য জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। দ্বিতীয়খন বৈঠকত ভাগ লৈ মুখ্যমন্ত্রীয়ে কয় যে মৰাণ আৰু মটক জনগোষ্ঠীৰ বাবে মিছন বসুন্ধৰা-৪.০ত নির্ধাৰণ কৰা নীতি-নির্দেশনাসমূহ প'টেলত উল্লেখ কৰা হ'ব। ভূমিৰ অনলাইন আবেদন কৰাত সহায়ক হোৱাকৈ মৰাণ আৰু মটক জনগোষ্ঠী অধ্যুষিত জিলাসমূহত দুয়োটা জনগোষ্ঠীৰ একাংশ যুৱক-যুৱতীক প্রশিক্ষণ প্রদানৰ ব্যৱস্থা কৰা হ'ব বুলি তেওঁ সদৰী কৰে। মুখ্যমন্ত্রীয়ে লগতে নির্ধাৰিত সময়ৰ ভিতৰত প্রিমিয়াম জমা দিব নোৱাৰাৰ ফলত ভূমিৰ বন্দৰস্ত বা অনুমোদনৰ ম্যাদ উকলি যোৱাৰ সমস্যা দূৰ কৰাৰ অর্থে প্রিমিয়াম জমা দিয়াৰ সময়সীমা বৃদ্ধিকে ধৰি কেইবাটাও পদক্ষেপ গ্রহণৰ আশ্বাস দিয়ে। তেওঁ লগতে কয় যে মৰাণ আৰু মটক জনগোষ্ঠীৰ জনসাধাৰণৰ ভূমি সম্বন্ধীয় সমস্যাৰাজি নিৰসনৰ বাবে চৰকাৰৰ প্রয়াস অব্যাহত থাকিব। ইফালে জনজাতীয় লোকসকলৰ ভূমিৰ অধিকাৰ সুৰক্ষিত কৰাৰ ক্ষেত্রত চৰকাৰে গ্রহণ কৰা পদক্ষেপক আদৰণি জনাইছে সদৌ অসম সোণোৱাল কছাৰী ছাত্র সস্থাৰ সভাপতি দেৱানন্দ চেলেঙে। মুখ্যমন্ত্রীৰে হোৱা আলোচনাৰ অন্তত দেৱানন্দ চেলেঙে কয় যে জনজাতীয় লোকসকলৰ ভূমি সমস্যা সমাধান কৰাটো এক দীর্ঘদিনীয়া দাবী। এই সমস্যা সমাধানৰ বাবে ৰাজ্য চৰকাৰে গ্রহণ কৰা পদক্ষেপে খিলঞ্জীয় জনজাতি লোকসকলৰ ভূমিৰ অধিকাৰ সুনিশ্চিত কৰাৰ ক্ষেত্রত গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিব। চেলেঙে ইয়াকো উল্লেখ কৰে অসমৰ জনজাতীয় লোকসকলে যুগ যুগ ধৰি নিজৰ নিজৰ ভূমিত বসবাস কৰি অহাৰ পাছতো ভূমিৰ আইনী অধিকাৰ লাভৰ পৰা বঞ্চিত হৈ আহিছে। বিশেষকৈ ম্যাদী পট্টা নথকাৰ ফলত বহু পৰিয়ালে নিজৰ দখলত থকা ভূমিৰ অধিকাৰ সাব্যস্ত কৰিব পৰা নাই। চৰকাৰী আৰু বেচৰকাৰী ভূমিৰ লগতে ভিলেজ, গ্রেজিং, ৰিজার্ভ আৰু প্রফেছনেল গ্রেজিং ৰিজার্ভ ভূমিত বসবাস কৰা জনজাতীয় পৰিয়ালসমূহৰ সমস্যাসমূহ গুৰুত্বসহকাৰে বিবেচনা কৰা উচিত। চৰকাৰে গ্রহণ কৰা এই পদক্ষেপত জনজাতীয় পৰিয়ালসমূহৰ দীর্ঘদিনীয়া ভূমি সমস্যাৰ সমাধানৰ পথ মুকলি হ'ব।

প্রাণৰ শিল্পী জুবিন গার্গৰ

জিতেন দাস, অলকেশ নাথসহ বিভিন্ন মহাবিদ্যালয়ৰ সহস্রাধিক ছাত্র-ছাত্রী, যুৱক-যুৱতীয়ে মমশিখা সমদলত অংশগ্রহণ কৰি প্রাণৰ শিল্পী জুবিন গার্গক ন্যায় প্রদানৰ দাবীৰে আকাশ-বতাহ মুখৰিত কৰি তোলে। প্রতিবাদকাৰীসকলে গুৱাহাটীৰ ৰাজপথত বিভিন্ন শ্লোগান লগতে জুবিন গার্গৰ গীত পৰিৱেশন কৰি মমশিখা সমদলত অংশগ্রহণ কৰে। ছাত্র সস্থাৰ সভাপতি উৎপল শর্মা আৰু সাধাৰণ সম্পাদক সমীৰণ ফুকনে কয় যে প্রাণৰ শিল্পী জুবিন গার্গে ন্যায় পাবই লাগিব। ন্যায়লয়ৰ ওপৰত আমাৰ বিশ্বাস আছে। প্রাণৰ শিল্পী জুবিন গার্গে ন্যায় নোপোৱালৈকে ছাত্র সস্থা ক্ষান্ত নহওঁ। এছআইটিৰ প্রতিবেদনখন সাক্ষ্য প্রমাণেৰে ন্যায়ালয়ত প্রতিষ্ঠা কৰাৰ দায়িত্ব অসম চৰকাৰৰ। হত্যাকাৰীয়ে কঠোৰ দৃষ্টান্তমূলক শাস্তি পাবই লাগিব। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত আছুৰ মুখ্য উপদেষ্টা ডঃ ভট্টাচার্যই কয়, 'প্রাণৰ শিল্পী জুবিন গার্গে ন্যায় পাবই লাগিব। ন্যায় ব্যৱস্থা, ন্যায়পালিকাৰ ওপৰত ছাত্র সস্থাৰ আস্থা, বিশ্বাস আছে। এছআইটিয়ে দাখিল কৰা প্রতিবেদনত তথ্যপাতিৰে ন্যায়ালয়ত প্রতিষ্ঠা কৰাৰ দায়িত্ব এছআইটি আৰু অসম চৰকাৰৰ। এই বিষয়ত অসম চৰকাৰৰ গধু�ৰ দায়িত্ব আছে। জামিনৰ বিৰুদ্ধে উচ্চতম ন্যায়লয়ত আবেদন কৰিম বুলি প্রতিশ্রুতি দিয়া অসম চৰকাৰে সোনকালে এইক্ষেত্রত পদক্ষেপ লওক। অসমৰ জনসাধাৰণৰ মনত জ্বলি থকা জুইকুৰা হ'ল- প্রাণৰ শিল্পী জুবিন গার্গে ন্যায় পাব লাগিব। ন্যায়ালয়ত গোচৰ চলি থকা বাবে আৰু ন্যায়ালয়ৰ ওপৰত ৰাইজৰ বিশ্বাস থকাৰ বাবেই ৰাইজে ৰাজপথলৈ সঘনে ওলাই অহা নাই যদিও ৰাইজৰ অন্তৰত জুইকুৰা জ্বলি আছে। হত্যাকাৰীয়ে কঠোৰ দৃষ্টান্তমূলক শাস্তি পাবই লাগিব। প্রাণৰ শিল্পী জুবিন গার্গে ন্যায় নোপোৱালৈকে অসমৰ ৰাইজ, ছাত্র সস্থা ক্ষান্ত নহয়।'

তিনিচুকীয়া গুৰুত্বপূর্ণ উন্নয়নমূলক

টকা, বিষ্ণু ৰাভা উদ্যানৰ উন্নয়নৰ বাবে ৫৭.২৭ লাখ টকা আৰু মহাত্মা গান্ধী উদ্যানৰ সৌন্দর্যবর্ধনৰ বাবে ৪৫.৯০ লাখ টকা ধার্য কৰা হৈছে। এই প্রকল্পসমূহ ৰূপায়ণৰ জৰিয়তে চহৰখনৰ ৰাজহুৱা স্থানসমূহ অধিক আকর্ষণীয় কৰি তোলাৰ লগতে নাগৰিকসকলৰ বাবে অৱসৰ বিনোদন আৰু ক্রীড়া চর্চাৰ উন্নত পৰিৱেশ সৃষ্টি হোৱাৰ সম্ভাৱনা আছে। ইফালে, তিনিচুকীয়া চহৰৰ অন্যতম গুৰুত্বপূর্ণ সমস্যা হিচাপে বিবেচিত নলা-নর্দমা ব্যৱস্থাৰ উন্নয়ন আৰু পথসমূহৰ মেৰামতিৰ বাবে ২০০ কোটি টকাৰ বৃহৎ পেকেজ ঘোষণা কৰে মুখ্যমন্ত্রীগৰাকীয়ে। এই পেকেজৰ জৰিয়তে চহৰখনৰ পথ যোগাযোগ ব্যৱস্থা উন্নত কৰাৰ লগতে নলা-নর্দমা ব্যৱস্থাৰ আধুনিকীকৰণৰ দিশত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব বুলি আশা কৰা হৈছে। অৱশ্যে এই পেকেজৰ অধীনত কোনবোৰ কাম কেতিয়া সম্পূর্ণ কৰা হ'ব, সেই বিষয়ে পৰৱর্তী সময়ত স্পষ্ট ৰূপৰেখা প্রকাশ পোৱাটো গুৰুত্বপূর্ণ। কেৱল পথ আৰু নলা-নর্দমাৰ উন্নয়নতে সীমাবদ্ধনাথাকি প্রশাসনিক আৰু সাংস্কৃতিক আন্তঃগাঁথনিৰ বিকাশৰ ক্ষেত্রতো বিশেষ ঘোষণা কৰে মুখ্যমন্ত্রীগৰাকীয়ে। তিনিচুকীয়া পৌৰসভাৰ এটা অনলাইন এছৰ কাৰণে ১.৫০ কোটি টকা ধার্য কৰাৰ কথা ঘোষণা কৰা হয়। এই পদক্ষেপ কার্যকৰী হ'লে বিভিন্ন চৰকাৰী বিভাগৰ সেৱা লাভৰ ক্ষেত্রত ৰাইজৰ সুবিধা বৃদ্ধিপোৱাৰ লগতে প্রশাসনিক কাম-কাজ অধিক সুচাৰুৰূপে সম্পন্ন কৰাৰ পথ প্রশস্ত হ'ব। আনহাতে, তিনিচুকীয়াত এক বৃহৎ সাংস্কৃতিক কেন্দ্র নির্মাণৰ বাবেও ৫০ কোটি টকাৰ পেকেজ ঘোষণা কৰে মুখ্যমন্ত্রী ডঃ হিমন্ত বিশ্ব শর্মাই। প্রস্তাবিত সাংস্কৃতিক কেন্দ্রটোত একেলগে প্রায় ১, ০০০ লোকে বহি সভা-সমিতি, সাংস্কৃতিক অনুষ্ঠান আৰু বিভিন্ন ৰাজহুৱা কার্যসূচীত অংশগ্রহণ কৰিব পৰাকৈ ব্যৱস্থা থাকিব। এই কেন্দ্রটোৱে ভবিষ্যতে চহৰখনৰ সাংস্কৃতিক আৰু সামাজিক কার্যকলাপৰ এক গুৰুত্বপূর্ণ কেন্দ্র হিচাপে পৰিগণিত হোৱাৰ সম্ভাৱনা আছে। সমান্তৰালভাৱে তিনিচুকীয়া জিলা আযুক্ত কার্যালয় চৌহদত সকলো বিভাগৰ কার্যালয়ক একত্রিতভাৱে নির্মাণ কৰাৰ কথাও ঘোষণা কৰে। অনুষ্ঠানত ভাষণ প্রসংগত মুখ্যমন্ত্রী ডঃ হিমন্ত বিশ্ব শর্মাই কয় যে নির্বাচনৰ সময়ত তেওঁ তিনিচুকীয়াবাসীক নির্বাচনৰ পিছত চহৰখনলৈ আহি ইয়াৰ উন্নয়নৰ বাবে কাম কৰাৰ প্রতিশ্রুতি দিছিল। সেই প্রতিশ্রুতি অনুসৰিয়েই তিনিচুকীয়াৰ উন্নয়নৰ বাবে পদক্ষেপ গ্রহণ কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্রীগৰাকীয়ে লগতে কয় যে ৰাজ্যৰ আন কেইবাখনো জিলাৰ তুলনাত তিনিচুকীয়া যেন কিছু ক্ষেত্রত পিছপৰি ৰৈছে বুলি তেওঁলোকে অনুভৰ কৰিছে। সেয়েহে চহৰখনক উন্নয়নৰ দিশত আগুৱাই নিয়াৰ বাবে এতিয়া বিশেষভাৱে কাম কৰাৰ প্রয়োজন। এই উন্নয়নমূলক প্রকল্পসমূহে অঞ্চলটোত নিয়োগৰ নতুন সম্ভাৱনাও সৃষ্টি কৰিব বুলি তেওঁ আশা প্রকাশ কৰে। তিনিচুকীয়াবাসীয়ে চৰকাৰক বহু সমর্থন আৰু সহযোগিতা আগবঢ়াই আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্রীগৰাকীয়ে কয় যে এতিয়া ৰাইজৰ বাবে কাম কৰাৰ সময়। চহৰখনৰ সামগ্রিক উন্নয়ন সাধন কৰি ৰাইজৰ আশা-আকাংক্ষা পূৰণ কৰাটো চৰকাৰৰ অন্যতম লক্ষ্য বুলিও তেওঁ বক্তব্যত প্রকাশ কৰে। এই অনুষ্ঠানত মুখ্যমন্ত্রীগৰাকীৰ সৈতে মন্ত্রী ৰামেশ্বৰ তেলী, বিধায়ক পুলক গোহাঁই, সঞ্জয় কিষাণ, সুৰেন ফুকন, বলীন চেতিয়া, ৰূপেশ গোৱালা, তিনিচুকীয়া পৌৰসভাৰ পৌৰপতি পুলক চেতিয়া, তিনিচুকীয়া উন্নয়ন প্রাধিকৰণৰ অধ্যক্ষ কাজল গোহাঁই আৰু তিনিচুকীয়া জিলাৰ আয়ুক্ত সুমিত সাত্তাৱানকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

আৰক্ষীৰ জিম্মাৰ পৰা

নামত কোনো অত্যাচাৰ চলাব নোৱাৰিব আৰক্ষীয়ে। অভিযুক্তক আৰক্ষীৰ জিম্মাত থকা অৱস্থাত পৰিষ্কাৰ-পৰিচ্ছন্ন খাদ্য আৰু খোৱাপানীকে ধৰি সকলো মৌলিক প্রয়োজনীয় সামগ্রী যোগান ধৰিবলৈও আৰক্ষীক নির্দেশ দিয়া হৈছে। গোচৰটোৰ তদন্তকাৰী বিষয়াক অভিযুক্ত ঘনকান্ত গগৈক প্রতি ২৪ ঘণ্টাৰ মূৰে মূৰে স্বাস্থ্য পৰীক্ষাৰ ব্যৱস্থা কৰিবলৈও নির্দেশ দিয়া হৈছে। নিজৰ নির্দেশনাৱলীত মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতে আৰক্ষীৰ জিম্মাত ৰখাৰ ক্ষেত্রত উচ্চতম ন্যায়ালয়ে ডি কে বসু বনাম পশ্চিমবংগৰ গোচৰত প্রদান কৰা নির্দেশনা মানি চলিবলৈও তদন্তকাৰী বিষয়াক নির্দেশ দিছে। নির্দেশত ন্যায়ালয়ে অভিযুক্ত ঘনকান্ত গগৈয়ে আৰক্ষীৰ জিম্মাৰ পৰা পলায়নৰ চেষ্টা কৰিলে আইন অনুসৰি কামৰূপ মহানগৰ জিলাৰ চেণ্ট্রেলৰ ডিচিপি গৰাকী দায়বদ্ধ হ'ব বুলি স্পষ্ট কৰি দিছে। আৰক্ষীৰ জিম্মাত ৰখাৰ সময়ত অভিযুক্তক জেৰা কৰাৰ ৰেজিষ্টাৰৰ প্রতিলিপি আৰক্ষীৰ জিম্মাৰ ম্যাদ শেষ হোৱাৰ পিছত আদালতত দাখিল কৰিব লাগিব বুলিও স্পষ্ট কৰি দিছে। উল্লেখ্য যে বিলাস ইনৰ চাঞ্চল্যকৰ হত্যাকাণ্ড সন্দর্ভত ইতিমধ্যে পল্টনবজাৰ থানাত ভাৰতীয় ন্যায় সংহিতাৰ ধাৰা ১০৩(১) , ধাৰা ২৫(১-বি) আৰু আর্মছ এক্টৰ ধাৰা ২৭ৰ অধীনত ২৯৩/২৬ গোচৰ পঞ্জীয়ন হৈছে। স্মর্তব্য যে ২৬ অক্টোবৰৰ সন্ধিয়া ৯ বজাত লাচিত নগৰৰ বিলাস ইন হোটেলত সংঘটিত ঘটনাত ঘনকান্ত গগৈৰ গুলীচালনাত ৫জন লোক থিতাতে নিহত হৈছিল। ইয়াৰে চাৰিজন একেটা পৰিয়ালৰ হোৱাৰ বিপৰীতে আন এজন বিলাস ইনৰ কর্মচাৰী আছিল।

কলাক্ষেত্ৰত খেল মহাৰণৰ থীম ছং

ড্ৰাগছৰ দৰে সামাজিক ব্যাধিৰ বিৰুদ্ধে ব্যাপক আন্দোলন সৃষ্টিত অৱিহণা যোগায়। পঞ্চায়ত, বিধানসভা, জিলা পৰ্যায়ৰ পিছত ৰাজ্যিক পৰ্যায়ত পৰৱৰ্তী এই খেল মহাৰণ অনুষ্ঠিত হ'ব। মুখ্যমন্ত্রীয়ে এই খেল মহাৰণত ৰাজ্যবাসীৰ ব্যাপক অংশগ্ৰহণ সুনিশ্চিত কৰিবলৈ আহ্বান জনায়। মুখ্যমন্ত্রীয়ে কয় যে শিক্ষা ক্ষেত্ৰত নিযুত মইনা-নিযুত বাবু আদি আঁচনি প্ৰদান কৰাৰ দৰে ৰাজ্য চৰকাৰে অসমৰ ৫ হাজাৰ উদীয়মান খেলুৰৈক পৰ্যায়ক্ৰমে মাহিলি, হাজাৰ টকাকৈ বৃত্তি প্ৰদানৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ইয়াৰ অধীনত ৫০০ গৰাকী উদীয়মান খেলুৰৈক দুবছৰৰ বাবে বাৰ্ষিক জলপানি প্ৰদানৰ বাবে নিৰ্বাচন কৰা হ'ব। এই সহায়ে তেওঁলোকৰ প্ৰশিক্ষণ, ক্ৰীড়া সঁজুলি, পুষ্টি আৰু অন্যান্য প্ৰয়োজনীয় ব্যয় বহন কৰাত সহায় কৰিব। প্ৰতিভা থকাৰ পিছতো আৰ্থিক অসুবিধাৰ বাবে কোনো শিশুৰ প্ৰশিক্ষণ যাতে বন্ধ হৈ নাযায়, সেইটো নিশ্চিত কৰাই এই পদক্ষেপৰ উদ্দেশ্য। গুৱাহাটীৰ সৰুসজাই আৰু নেহৰু ষ্টেডিয়ামৰ পুনৰ নিৰ্মাণৰ লগে লগে খেল মহাৰণ আৰু অসম অলিম্পিক সম্ভাই আয়োজন কৰা বিভিন্ন প্ৰতিযোগিতাৰ জৰিয়তে প্ৰতিভা চিনাক্ত হোৱা ১৫০০গৰাকী খেলুৰৈক স্পৰ্টছ হোষ্টেলৰ নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ পিছত সম্পূৰ্ণ বিনামূলীয়াকৈ থকা-খোৱা আৰু প্ৰশিক্ষণ প্ৰদানৰ বাবে ব্যৱস্থা গ্ৰহণ কৰে। তেওঁ কয় যে প্ৰতিভা চিনাক্তকৰণ অধিক পেছাদাৰী কৰিবলৈ প্ৰথমবাৰৰ বাবে জে এছ ডব্লিউ স্পৰ্টছৰ সৈতে আনুষ্ঠানিক কাৰিকৰী সহযোগিতা স্থাপন কৰা হ'ব। প্ৰস্তাৱিত ব্যৱস্থা অনুসৰি বিধানসভা সমষ্টি, জিলা আৰু ৰাজ্যিক পৰ্যায়ত বিশেষজ্ঞ সকলৰ সহযোগত খেলুৰৈসকলৰ মূল্যায়ণ কৰা হ'ব। চিনাক্ত হোৱা খেলুৰৈসকলক ৰাজ্যিক পৰ্যায়ৰ প্ৰশিক্ষণ শিবিৰলৈ আমন্ত্ৰণ জনোৱা হ'ব। শ্ৰেষ্ঠ প্ৰদৰ্শনকাৰীসকলৰ বাবে গুৱাহাটীত অভিজ্ঞ ভাৰতীয় আৰু বিদেশী প্ৰশিক্ষকৰ দ্বাৰা আৱাসিক প্ৰশিক্ষণৰ ব্যৱস্থাও কৰা হ'ব। খেল মহাৰণৰ চতুৰ্থ সংস্কৰণত অসমৰ পৰম্পৰাগত তিনিটা খেলকো অন্তৰ্ভুক্ত কৰিবলৈ মুখ্যমন্ত্রীয়ে আহ্বান জনায়। আন্দোলন, জোঁৰ লৈ সমদল, শ্ল'গান আদিৰে অসমত পূৰ্বে দেখা আন্দোলনমুখী পৰিৱেশৰ বিপৰীতে বৰ্তমান ৰাইজে শিক্ষা, উদ্যোগ, সাংস্কৃতিক আৰু ক্ৰীড়াৰ আন্দোলন দেখিবলৈ পাইছে বুলি উল্লেখ কৰি মুখ্যমন্ত্রীয়ে সকলোকে অসমক শিক্ষা-ক্ৰীড়া- সংস্কৃতিৰ এক মহাশক্তিলৈ ৰূপান্তৰ কৰিবলৈ আহ্বান জনায়। এই অনুষ্ঠানত মন্ত্রী বিশ্বজিৎ দৈমাৰী, সাংসদ বিজুলী কলিতা মেধি, বিধায়ক বিজয় গুপ্তা, দিপ্লু ৰঞ্জন শৰ্মা, ড° তপন দাসৰ উপৰি অসম অলিম্পিক সম্ভাৰ সম্পাদক লক্ষ্য কোঁৱৰ, ক্ৰীড়া বিভাগৰ সচিব কে জে হিলালী প্ৰমুখ্যে উচ্চপদস্থ বিষয়া আৰু গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

সন্দীপন-অমৃতপ্ৰভাৰ জামিনৰ বিৰুদ্ধে

গোচৰত বিগত ৯ অক্টোবৰত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পৰা জামিন লাভ কৰিছিল অমৃতপ্ৰভা মহন্তই। সেইদৰে জুবিন গার্গৰ সম্পৰ্কীয় ভাতৃ তথা নিলম্বিত আৰক্ষী বিষয়া সন্দীপন গার্গে যোৱা ১৬ অক্টোবৰত উচ্চ ন্যায়ালয়ৰ পৰা জামিন লাভ কৰিছিল। অমৃতপ্ৰভা মহন্ত আৰু সন্দীপন গার্গৰ জামিনক লৈ ৰাজ্যজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল আৰু ৰাইজৰ দলকে ধৰি কেইবাটাও দল-সংগঠনে তেওঁলোকৰ জামিনক লৈ প্ৰতিবাদতো লিপ্ত হৈছিল। ৰাজ্যজুৰি সৃষ্টি হোৱা প্ৰতিক্ৰিয়াৰ মাজতে ৰাজ্য চৰকাৰৰ মহাধিবক্তা দেৱজিৎ লন শইকীয়া আৰু গোচৰটোৰ তদন্ত কৰা এছআইটিৰ মুৰব্বী মুন্নাপ্ৰসাদ গুপ্তাই অমৃতপ্ৰভা মহন্ত আৰু সন্দীপন গার্গৰ জামিনৰ বিৰোধিতাৰে উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হ'ব বুলি ঘোষণা কৰিছিল। দুয়োগৰাকীয়ে অমৃতপ্ৰভা মহন্ত আৰু সন্দীপন গার্গৰ জামিনক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি উল্লেখ কৰিছিল যে তেওঁলোকৰ জামিন হ'লেও দোষমুক্ত হোৱা নাই। গতিকে বিচাৰ প্ৰক্ৰিয়া চলি থাকিব। ইয়াৰ মাজতে অমৃতপ্ৰভা মহন্ত আৰু সন্দীপন গার্গে ফাষ্টট্ৰেক আদালতত চলি থকা গোচৰত সাক্ষ্যদান কৰি আছে।

তিনিচুকীয়াত এছিয়াৰ প্ৰথমটো

সংসাধন, বস্ত্রশিল্প, দক্ষতা বিকাশ আদি খণ্ডত বিনিয়োগৰ প্ৰস্তাৱ এই সন্মিলনৰ জৰিয়তে ৰাজ্য চৰকাৰে লাভ কৰিছিল। তেওঁ কয় যে এই পৰ্যন্ত হাইড্ৰ' কাৰ্বন আৰু পেট্ৰ'কেমিকেল খণ্ডত ২.৮৬ লাখ কোটি টকা, শক্তি খণ্ডত ৯৭, ৮৪০ কোটি টকা, আন্তঃগাঁথনিত প্তপ্ত, ৫৭২ কোটি টকা, মাইনিঙত ৫৩, ৩৫৩ কোটি টকা, ইলেক্ট্ৰনিক্স আৰু তথ্য-প্ৰযুক্তি খণ্ডত ৪৪, ৯৪৮ কোটি টকা আৰু বিভিন্ন উৎপাদন খণ্ডত ২৬, ৭৯৯ কোটি টকাৰ বিনিয়োগ প্ৰস্তাৱ বৰ্তমানলৈকে কাৰ্যত পৰিণত হৈছে। ইতিমধ্যে ৫.১৮ লাখ কোটি টকাৰ ভিতৰত ৩ লাখ কোটি টকাৰ প্ৰকল্প ৰূপায়ণৰ পৰ্যায়লৈ আগবাঢ়িছে বুলি উল্লেখ কৰি তেওঁ কয় যে নুমলীগড় শোধনাগাৰৰ উৎপাদন ক্ষমতা ২৮, ০০০ কোটি টকা ব্যয়েৰে ৩ নিযুত মেট্ৰিক টনৰ পৰা ৯ নিযুত মেট্ৰিক টনলৈ বৃদ্ধিৰ প্ৰকল্প ৰূপায়ণ কৰি থকা হৈছে। বাঁহৰ পৰা ইথানল প্ৰস্তুত কৰিব পৰা উদ্যোগৰ কামো পূৰ্ণগতিত আগবাঢ়িছে। ২৭, ০০০ কোটি টকা ব্যয়েৰে টাটা ছেমিকণ্ডাক্টৰ প্ৰকল্পৰ নিৰ্মাণ চূড়ান্ত পৰ্যায়ত উপনীত হৈছে। ১০, ৬০০ কোটি টকা ব্যয়েৰে নামৰূপ সাৰ কাৰখানাৰ চতুৰ্থ গোট স্থাপনৰ কাম ইতিমধ্যে পূৰ্ণগতিত আগবাঢ়িছে। পেছি কোম্পানীসমূহেও অসমত উৎপাদন গোট আৰম্ভ কৰিছে বুলিও তেওঁ কয়। এডভান্টেজ আছাম-২.০ৰ সময়ত লাভ কৰা বিনিয়োগৰ আন এটা প্ৰতিশ্ৰুতি আজি বাস্তৱায়িত হোৱা বুলি মন্তব্য কৰি মুখ্যমন্ত্রী ড° শৰ্মাই কয় যে উজনি অসমত উদ্যোগীকৰণৰ বৃহৎ সুবিধা আছে। তেওঁ আশা প্ৰকাশ কৰে যে উজনি অসমৰ ৰাইজে উদ্যোগসমূহক আদৰি লৈ উদ্যোগীকৰণৰ এটা অনুকূল পৰিৱেশ সৃষ্টি কৰিব, যাতে চৰকাৰে নতুন নতুন উদ্যোগ অঞ্চলটোলৈ আনিব পাৰে। তেওঁ কয় যে ব্যৱসায়ী আৰু উদ্যোগীসকলে কাম কৰাৰ সুবিধা পালে, আইন-শৃংখলা পৰিস্থিতি উন্নত হ'লে, চান্দা আদিৰ হোঁচা নাথাকিলে উদ্যোগীকৰণৰ গতি বৃদ্ধিহ'ব। উদ্যোগীকৰণ হ'লে নিয়োগৰ সুবিধাৰ সৃষ্টি হয়, অৰ্থনীতি বৃদ্ধি হয় আৰু ৰাজ্যৰ বিকাশ দ্ৰুত হয়। জাগীৰোডত ছেমিকণ্ডাক্টৰ প্ৰকল্প নিৰ্মাণৰ সময়ত আৰু চাপৰত ৫০ হাজাৰ কোটি টকাৰ থাৰ্মেল পাৱাৰ প্ৰকল্প নিৰ্মাণৰ সময়ত কোম্পানী দুটাই স্থানীয় ৰাইজৰ পৰা সম্পূৰ্ণ সহযোগিতা লাভ কৰাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্রীয়ে কয় যে স্থানীয় ৰাইজে আন্তৰিক সহযোগিতা আগবঢ়ালে উদ্যোগীকৰণ সম্ভৱ হয়। উদ্যোগীকৰণে নিবনুৱাক সংস্থাপনৰ সুবিধা দিয়ে আৰু বৃহৎ উদ্যোগৰ সৈতে বহু ক্ষুদ্ৰ উদ্যোগ গঢ়ি উঠে। তেওঁ কয় যে উদ্যোগীকৰণৰ সমান কৰ্মসংস্থাপন আন কোনোৱে আনিব নোৱাৰে। তিনিচুকীয়াত কেই বাটাও নতুন উদ্যোগ স্থাপনৰ বাবে প্ৰস্তাৱ লাভ কৰা বুলি সদৰী কৰি মুখ্যমন্ত্রী ড° শৰ্মাই কয় যে এই প্ৰস্তাৱসমূহ ৰাজ্য চৰকাৰে অগ্ৰাধিকাৰ ভিত্তিত বিবেচনা কৰি আছে। তিনিচুকীয়া জিলাক এখন ঔদ্যোগিক জিলালৈ ৰূপান্তৰ কৰাৰ বাবে তেওঁ তিনিচুকীয়াবাসী ৰাইজৰ সহযোগিতা কামনা কৰে। অনুষ্ঠানত মন্ত্রী ৰামেশ্বৰ তেলী, বিধায়ক সঞ্জয় কিষাণ, বলীন চেতিয়া, পুলক গোহাঁই, ৰূপেশ গোৱালা, সুৰেন ফুকন, তৰংগ গগৈ, লাইট ব্ৰিকছ প্ৰাইভেট লিমিটেডৰ পৰিচালন সঞ্চালক দিলীপ গোয়েংকা প্ৰমুখ্যে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

অসম আৰক্ষীৰ ২৩

কনিষ্টবললৈ আগবঢ়োৱা হৈছে চলিত বৰ্ষৰ কেন্দ্ৰীয় গৃহমন্ত্রীৰ দক্ষতা পদক। ৰাষ্ট্রীয় একতা দিৱস-২০২৬ৰ সৈতে সংগতি ৰাখি ঘোষণা কৰা এই পদকসমূহত দুটা শাখাত ২৩গৰাকী শীৰ্ষ আৰক্ষী আৰু কনিষ্টবলক বাছনি কৰা হৈছে। বিশেষ অপাৰেচন ক্ষেত্ৰত আগবঢ়োৱা পাৰদৰ্শিতাৰ বাবে ১৯গৰাকী শীৰ্ষ আৰক্ষী-কনিষ্টবলক কেন্দ্ৰীয় গৃহমন্ত্রীৰ দক্ষতা পদক আগবঢ়োৱা হৈছে। পদক প্ৰাপ্ত বিষয়া- নিষ্টবলকেইগৰাকী হৈছে ক্ৰমে গুৱাহাটীৰ আৰক্ষী আয়ুক্ত ড° পার্থসাৰথি মহন্ত, এছএছপি প্ৰণৱ কুমাৰ পেগু, এএছপি কল্যাণ কুমাৰ পাঠক, এডিচিপি অনুৰাগ শর্মা, এএছপি ৰ'জী তালুকদাৰ, পৰিদৰ্শক কমলেশ সিং, ভাস্কৰমল্ল পাটোৱাৰী, চন্দনজ্যোতি বৰা, বিক্ৰম বসুমতাৰী, ড° শংকৰজ্যোতি নাথ, কপিল পাঠক, উপ-পৰিদৰ্শক ৰোহিত দাস, অংশুমী কলিতা, ডেইজী নাথ, জিতুমণি ৰাভা, প্ৰণৱজ্যোতি ভট্টাচার্য, এএছআই আহমেদ আলী, লেন্স নায়ক কমল বড়ো আৰু কনিষ্টবল বকুল মেধি। আনহাতে তদন্ত ক্ষেত্ৰত এছপি ড° ভি শিৱপ্ৰসাদ গাঞ্জালা, চক্ৰ পৰিদৰ্শক কমল চন্দ্ৰ ৰাজবংশী, এএছপি পৃথ্বিৰাজ ৰাজখোৱা আৰু উপ-পৰিদৰ্শক মৌটি বসুমতাৰীক কেন্দ্ৰীয় গৃহমন্ত্রী দক্ষতা পদকৰ বাবে বাছনি কৰা হৈছে।

ভুটানত হিমবাহ

ভিতৰত শ্বিনটাফু অন্যতম। পুৱাৰ ভাগত সামাজিক মাধ্যমত প্ৰদান কৰা এক বিবৃতিত মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মাই কয় যে ধুবুৰী আৰু কোকৰাঝাৰৰ সকলো বিপদাশংকাপূৰ্ণ ৰাজহ চক্ৰত ভুটানত হিম বাহ হ্রদৰ বিস্ফোৰণৰ সম্ভাব্য প্ৰভাৱৰ ওপৰত আমি তীক্ষ্ণষ্ণ দৃষ্টি আবদ্ধ ৰাখিছোঁ। এছ ডি আৰ এফ, এন ডি আৰ এফ আৰু অন্যান্য সংস্থাসমূহৰ সৈতে অহৰহ যোগাযোগ ৰক্ষা কৰি চলি আছে আৰু প্ৰয়োজন হ'লে সঁহাৰি জনা বলৈ সম্পূৰ্ণৰূপে সাজু হৈ আছে। ৰাইজক সজাগ হৈ থাকি বলৈ, চৰকাৰী আপডেট অনুসৰণ কৰিবলৈ আৰু স্থানীয় বিষয়াসকলৰ সৈতে সহযোগিতা আগ বঞ্জাবলৈ মুখ্যমন্ত্রী ড° শর্মাই আহ্বান জনায়। বৃহস্পতিবাৰে জল শক্তি মন্ত্রণালয়ে অসম আৰু পশ্চিমবংগৰ বাবে জাৰি কৰা এক বিশেষ পৰামর্শত কোৱা হৈছে যে ভাৰতৰ দূতাবাসে ভুটানৰ পুনাটছাংচু নদী অৱবাহিকাত অৱস্থিত শ্বিন্তাফু হ্রদত হিমবাহ হ্রদ বিস্ফোৰণৰ খবৰ দিছে। ইফালে নদীখনৰ ওপৰ অংশত আকস্মিক বানৰ খবৰ পোৱাৰ পিছতে অসমৰ ধুবুৰী আৰু পশ্চিমবংগৰ আলিপুৰদুৱাৰ জিলাত ভাৰতৰ সোণকোষ নদীৰ জলপৃষ্ঠ হঠাতে বৃদ্ধি পাব পাৰে বুলি পৰামর্শৰলীত জানিবলৈ দিয়ে। জিলা দুখনৰ স্থানীয় কৰ্তৃপক্ষক সজাগ হৈ থাকিবলৈ, পৰিস্থিতিৰ ওপৰত তীক্ষ্ণষ্ণ দৃষ্টি ৰাখিবলৈ আৰু প্ৰয়োজনীয় সতর্কতামূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ পৰামর্শ দিয়া হৈছে বুলিও লগতে কোৱা হৈছে। ইপিনে ভুটান হিমবাহ হ্রদৰ বিস্ফোৰণৰ ঘটনাই হিমালয়ৰ পাদদেশত বসবাস কৰা লাখ লাখ লোকৰ সুৰক্ষা আৰু জলবায়ু পৰিৱর্তনৰ ভয়াৱহতাৰ প্ৰতি নতুনকৈ চিন্তাৰ উদ্ৰেক ঘটাইছে। ভুটানৰ এই সাম্প্ৰতিক দুর্যোগৰ পিছতে ভাৰতৰ গৃহ মন্ত্রালয় আৰু অন্যান্য দুর্যোগ ব্যৱস্থাপনা সংস্থাসমূহ অধিক তৎপৰ হৈ উঠিছে। সোণকোষ নদীৰ অৱবাহিকা অঞ্চলত বাস কৰা লোকসকলক সুৰক্ষিত স্থানলৈ স্থানান্তৰ কৰাৰ বাবে প্ৰশাসনে ব্যাপক ব্যৱস্থা গ্ৰহণ কৰিছে। ৰাজ্যিক দুর্যোগ সঁহাৰি বাহিনী শ্চএছ ডি আৰ এফগ্ন তথা ৰাষ্ট্রীয় দুর্যোগ সঁহাৰি বাহিনীক শ্চএন ডি আৰ এফগ্ন সাজু ৰখা হৈছে। এই জলপ্রলয়ৰ ফলত নদীৰ জলস্তৰ হঠাতে বৃদ্ধি পোৱাৰ লগতে ডাঙৰ কাঠৰ টুকুৰা, বোকা-মাটি আৰু ধ্বংসাৱশেষ বৈ আহিব পাৰে বুলি সতর্ক কৰি দিয়া হৈছে।

ডিব্রুগড়ত অখিল

ৰামায়ণৰ ৰচয়িতা "মহর্ষি বাল্মীকি দিৱস" পালন কৰা হয়। কার্যসূচী অনুসৰি ডিব্রুগড় জিলা শাখাৰ সভাপতি ধনীৰাম বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত বস্তি প্ৰজ্বলন কৰে শাখাৰ সংৰক্ষক মনোহৰ বার্মাই। তেখেতক সহযোগিতা কৰে ৰুদ্র গগৈ, পুস্পা বুকলচৰীয়া, মহেশ কুমাৰ জৈন, ৰাজকুমাৰ আগৰৱালা, সুৰেশ আগৰৱালা, পৱন কুমাৰ গাডোদিয়া, ৰূপেশ সিং, মীনাক্ষী সিং আৰু কাঞ্চন বৰুৱাই। সভাত আদিকবি "মহর্ষি বাল্মীকি" ৰ জীৱন আৰু কর্মৰ ওপৰত আলোকপাত কৰি উপস্থিত সকলো সদস্যই তেখেতৰ জীৱন যাত্রাই সমাজক অনুপ্রেৰণা যোগোৱা বুলি বক্তব্য আগবঢ়ায় । সভাত বাল্মীকিৰ জীৱনৰ বিষয়ে বহুতো নজনা কথা জানিবলৈ পাই উপকৃত হোৱা বুলি মত উপস্থিত সকলোৱে মত প্ৰকাশ কৰে। সকলোৱে সহযোগিতাত অনুষ্ঠিত হোৱা সভাখনে সফলতা লাভ কৰা বুলি সভাপতিয়ে মন্তব্য আগবঢ়াই কয় যে বাল্মীকি ব্যক্তিগৰাকীৰ অতীত যিয়েই নহওক কিয়, সৎকর্মৰ দ্বাৰাইহে জীৱন সলনি কৰিব পাৰে। অনুষ্ঠানত শাখাৰ পত্রিকা সম্পাদক কাঞ্চন বৰুৱাই শলাগৰ শৰাই আগবঢ়ায়।

ENGLISH NEWS SECTION

Assam Governor attends 6th convocation of Assam Royal Global University



Guwahati,RB News: Assam Governor Shri Lakshman Prasad Acharya attended the 6th Convocation of Assam Royal Global University where he called upon the graduating students to uphold the values of integrity, discipline, empathy and honesty while pursuing their professional aspirations and contributing to nation-building. Addressing the graduates on the occasion, Governor Shri Acharya said that academic qualifications alone do not define an individual's success; rather, character and moral values reflect the true worth of education. Recalling the words of the Iron Man of India, Sardar Vallabhbhai Patel, “Education without character is of no value,” he said that education must nurture wisdom, ethical values and a sense of responsibility towards society. Referring to the vision of Viksit Bharat @ 2047 articulated by Prime Minister Narendra Modi, the Governor said that the youth should play a decisive role in transforming India into a developed nation. He urged the graduates to connect their knowledge, skills and professional excellence with the needs of the nation and contribute towards inclusive growth and national progress. As the Visitor of the University, Shri Acharya lauded Assam Royal Global University for its contribution to the expansion of higher education in North East. He said that universities must go beyond classroom teaching and promote scientific temper, research, innovation, creativity and entrepreneurship. He also stressed the importance of integrating India's traditional knowledge systems with modern science and encouraging research that addresses local challenges.

Governor inaugurates Golden Jubilee Celebration of ISKCON Assam

Guwahati, RB News: Assam Governor Shri Lakshman Prasad Acharya today inaugurated the two day Golden Jubilee Celebration of ISKCON Assam at Srimanta Sankaradeva Kalakshetra, Guwahati, marking 50 years of ISKCON’s dedication to spreading Krishna consciousness, promoting spiritual values and serving society. Speaking on the occasion, Governor Shri Acharya termed the occasion a celebration of devotion, spiritual awakening and selfless service. He paid tribute to ISKCON founder His Divine Grace A. C. Bhaktivedanta Swami Srila Prabhupada Ji and congratulated the spiritual leaders, devotees, volunteers and well-wishers of ISKCON Assam on completing five decades of dedicated service. Speaking on ISKCON’s contribution, Shri Acharya said the institution in Assam has played a significant role in spreading the teachings of Lord Krishna and strengthening values such as compassion, morality, discipline and humanity. He said that the teachings of the Shrimad Bhagavad Gita continue to guide humanity towards duty, wisdom and righteousness. Recalling Srila Prabhupada’s historic mission of establishing ISKCON in New York in 1966, the Governor said his efforts took India's spiritual philosophy and Vedic wisdom to millions across the world. He described Srila Prabhupada’s dedication and determination as an enduring inspiration for the society.



New Zealand defeated India by 87 runs in the fourth T20I



RB News: New Zealand defeated India by 87 runs in the fourth T20 International at Eden Park in Auckland. Chasing a massive target of 260 runs, India managed to score 172 for nine in their allotted 20 overs. For the visitors, Tilak Varma top-scored with 35 runs, while Naman Dhir contributed 28. Jacob Duffy led the New Zealand bowling attack with four wickets, while captain Mitchell Santnera and Matthew Fisher claimed two wickets each. Earlier, put into bat first, New Zealand posted a massive 259 for seven, powered by spectacular centuries from Glenn Phillips, 107 runs off 49 balls and a quick-fire contribution from Michael Bracewell 65 off just 25 deliveries. New Zealand’s total was the highest T20 International score by any team against India. For India, Mayank Yadav claimed three wickets, while Arshdeep Singh, Prince Yadav, Nitish Kumar Reddy and Axar Patel took one wicket each.

Pakistan beat India in Hong Kong Sixes 2026



RB News: Pakistan defeated India by four wickets in a high-scoring Group C encounter at the Hong Kong Sixes 2026 on Friday, October 30. Sent in to bat, India managed 88 for five in six overs, riding on an explosive 11-ball 40 from Shashank Singh. In reply, Pakistan chased down the target, scoring 92 for two in just 3.5 overs. Openers Khawaja Nafay (41 off 12 balls) and Abbas Afridi (35 off eight balls) provided the platform through a whirlwind 59-run stand off just 13 balls. It was Afridi's five sixes against Krunal Pandya in the very first over of the chase that took the game away from India. Earlier, India's opening pair of Rahul Tripathi (9) and Nitish Rana (19) failed to provide a solid start. Skipper Pandya and Rahul Tewatia also failed to make an impact as India finished with 88, the lowest total of the day in the tournament.

মৰীচিকা এই জীৱন



বিজুলতা পায়েং, গোগামুখ

প্ৰতিদিনে নিজৰ কৰ্ম ক্ষেত্ৰলৈ যোৱা নীৰেনে সঘনাই লগ পাই থাকে। দুজন ল'ৰাক। বয়সত সাত-আঠ বছৰমান হ'ব। দেখাত ক'লা বৰণৰ, চুলি কেইটা কেকুৰা। পিন্ধনত ফটা হাফপেন্ট আৰু চিৰি যোৱা চোলা। একেটা ঠাইতে সদায় ৰৈ থাকে এক কেজি আধা কেজি ওজনেৰে ভৰা পলিটিনৰ টোপোলাটোৰ সৈতে। ৰাস্তা ঘাটত গাড়ীৰে অহা-যোৱা কৰা মানুহক হাত দুখনেৰে লৈ লোৱাৰ ইঙ্গিতেৰে কাকুতি কৰে। বহুতে ল'ৰা দুটাক ঠাট্টা মস্কৰা কৰি আঁতৰি যায়। নীৰেনেও সদায় দেখি থকাত এদিন তেওঁৰ বগা ৰঙৰ এল্ট' গাড়ীখন ৰখাই ল'ৰা দুজনৰ কাষত ৰৈ দিলহি।

অই ল'ৰা তোমালোক দুজনৰ হাতত থকা পলিথিনত আচলতে আছে কি?

নীৰেনৰ গলগলীয়া মাতযাৰ শুনি দুয়োজনে ল'ৰাৰ লাহেকৈ নীৰেনৰ চকুলৈ চাই ৰ'ল।

নীৰেনে পুনৰ সুধিলে তোমালোক দুয়োজন স্কুললৈ যোৱানে নোযোৱা?

উম সময় পালে যাওঁ!

কিয়, পলিথিনত কি আছে নক'লা যে?

দাদা ইয়াত আমাৰ জীয়াই থকাৰ জীৱনটো আছে।

মানে মই বুজি পোৱা নাই।

দাদা আমি দুয়োজনে এইবোৰ বিক্ৰী কৰি যি পাই তাকে লৈ ৰাতিটোৰ এসাজ যোগাৰ কৰো।

ল'ৰা দুটাৰ থুনুকা মাততে নীৰেনৰ বুকুত এক আবেগৰ ঢৌৱে আগুৰি ধৰিলে।

ইয়াত কি আছে?

প্ৰথমজন ল'ৰা গৈৰে মাছ?

ক'ত পালা?

মানুহবোৰৰ পথাৰৰ মাজেদি জমা হৈ থকা সৰু সৰু খালবোৰ শুখাব লৈছে। তাতে আমি পুৱাৰেপৰা কষ্ট কৰি এইখিনি পাইছো।

দ্বিতীয় জন তোমাৰ লগত কি আছে?

ছাৰ চেংমৰা, আৰু ঢেকীয়া শাক?

বাৰু তোমালোক দুয়ো জনক কিমান দিব লাগিব?

ছাৰ পঞ্চাচ টকা দিলে হ'ব?

নীৰেনে বৰ হেপাঁহেৰে ল'ৰা দুজনক এশ টকা দিয়াত দুয়োজনে মনৰ আনন্দত দৌৰিবলৈ ল'লে।

ৰ'বা ৰ'বা। তোমালোক দুজন সদায় মোৰ কাৰণে ৰৈ থাকিবা দেই।

ছাৰ আমাৰ ভোগ নিবাৰণৰ ব্যৱস্থাটো হ'বনে?

কিয় নহ'ব। কিন্তু তোমালোক দুয়ো পঢ়িব লাগিব, স্কুললৈ যাব লাগিব তেতিয়াহে হ'ব?

কিন্তু আমাৰ মা- দেতা নাই নহয় ।

ক'লৈ গ'ল?

দেতা সৰুতে মৰিলে। মাও এদিন আমাৰ দুয়োকে এৰি ক'লৈ গ'ল নাজানো। আমি দুয়ো এনেকৈয়ে....।

মোৰ লগত যাবানে?

নাই । আমি আমাৰ ফুটা ঘৰটোহে ভাল লাগে।

তেতিয়া হ'লে কাইলৈৰ পৰা দুয়ো কিতাপ ধৰিব লাগিব। কোনেও পথাৰত শাক আৰু মাছ বিচাৰিব যাব নালাগিব। হ'বনে? বহুতে আমাৰ দুয়োকে পালে তেনেকৈ কৈ যায় কিন্তু পিছদিনা আমাৰ ঘৰলৈ কোনেও নাহেগে। আমাৰ দুয়োৰে চকু সদায় আমাৰ বাটলৈ বাট চাও... হ'ব যোৱা।

নীৰেনৰ ভেন্সাৰ জীৱনতকৈও ল'ৰা দুজনৰ অৱস্থাই তাক অধিক চিন্তিত কৰিলে।

অ' পালেহি। ইমান দেৰি কি হ'ল আপোনাৰ?

মাছৰ পলিথিন আৰু শাক পাচলি বোৰ দেখি নীৰেনৰ ঘৈনীয়েক ৰূপাশ্ৰী খঙত জ্বলি পকি নীৰেনৰ ওপৰত ক্ষোভ উজাৰিলে।

ৰাতিটো নীৰেনৰ টোপনি নাহিল। বাৰে বাৰে তাৰ দুচকুত এই ল'ৰা দুজনৰ প্ৰতিছৰি ভাঁহি থাকিল। ভাত পানী খাই কলেজলৈ বুলি ওলাই সিঁহত দুটাৰ বাবে কিতাপৰ টোপোলা, বেগ আৰু লগত নতুন পেন্ট আৰু চোলা কেইযোৰমান বজাৰৰ পৰা আনি ল'ৰা দুজনৰ ঘৰৰ অভিমুখে নীৰেনে যাত্ৰা কৰিলে।

ক্ষমতাৰ অহংকাৰ আৰু

তুচ্ছ জ্ঞান কৰিছিল, শেষত সমগ্ৰ বিজ্ঞানী সমাজে আৰু কেলভিনৰ পুৰণি তত্ত্বই সেই নতুন বিজ্ঞানৰ ওচৰত আঁঠু ল'বলৈ বাধ্য হ'ল।

বিশ্ব ইতিহাসৰ আটাইতকৈ ভয়ংকৰ আৰু একচ্ছত্ৰী স্বৈৰাচাৰী শাসক এডলফ হিটলাৰ কথা নক'লে বোধহয় এই লেখাটো আধৰুৱা হৈ ৰ'ব। ১৯ চনত হিটলাৰে জাৰ্মানীৰ 'চান্সেলৰ' (প্ৰধানমন্ত্ৰী) হয় আৰু ক্ষমতালৈ আহিয়েই গণতন্ত্ৰ ধ্বংস কৰি নিজকে জাৰ্মানীৰ একচ্ছত্ৰী একনায়ক বা 'ফুৰাৰ' (Fuhrer) বুলি ঘোষণা কৰে। প্ৰথম কেইবছৰমানত হিটলাৰৰ নাজী বাহিনীয়ে ফ্ৰান্স, বেলজিয়াম আদি ইউৰোপৰ বহু ডাঙৰ দেশ অতি সহজে দখল কৰে। এই ধাৰাবাহিক বিজয়ে হিটলাৰক ইমান অহংকাৰী কৰি তুলিছিল যে তেওঁ নিজকে এজন অপৰাজেয় ঈশ্বৰ সদৃশ বুলি ভাবিবলৈ লৈছিল। তেওঁ আনকি তেওঁৰ সামৰিক জেনেৰেলসকলৰ যুক্তিসংগত পৰামৰ্শবোৰকো তুচ্ছ জ্ঞান কৰিবলৈ ধৰিলে। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত হিটলাৰে যেতিয়া ছোভিয়েট ইউনিয়ন শ্চৰাছিয়াগ্ন আক্ৰমণ কৰে, তেতিয়া তেওঁ ৰাছিয়াৰ সৰ্বহাৰা জনতা আৰু তেওঁলোকৰ সেনাক অতি হীন, অশিক্ষিত আৰু দুৰ্বল বুলি ভাবিছিল। কিন্তু ৰাছিয়াৰ তীব্ৰ শীত আৰু ৰাছিয়ান বাহিনীৰ অনমনীয় প্ৰতিৰোধৰ সন্মুখত জাৰ্মান সৈন্য তিষ্ঠিব নোৱাৰিলে। বিখ্যাত ষ্টালিনগ্ৰাডৰ যুদ্ধত (Battle of Stalingrad) হিটলাৰৰ বিশাল আৰু অহংকাৰী 'ষষ্ঠ বাহিনী' সম্পূৰ্ণৰূপে পৰাজিত হ'ল। ইয়াৰ পিছত হিটলাৰে হীন বুলি ভাব ৰাছিয়ান বা মিত্ৰবাহিনীৰ হাতত ধৰা পৰি অপমানিত হোৱাৰ ভয়ত বার্লিনৰ এটা মাটিৰ বাংকাৰৰ ভিতৰত আত্মগোপন কৰি আত্মহত্যা কৰিবলগীয়া হ'ল। হিটলাৰৰ এই কৰুণ অথচ কলংকিত ইতিহাসে আমাক সোঁৱৰাই দিয়ে যে- কোনো ব্যক্তিৰ ওচৰত যিমানেই বিশাল সামৰিক শক্তি বা ক্ষমতা নাথাকক কিয়, যেতিয়াই তেওঁ নিজক আটাইতকৈ শ্ৰেষ্ঠ বুলি ভাবি আনক হীন বুলি অৱজ্ঞা কৰিবলৈ লয়, তেতিয়াই তেওঁৰ সৰ্বনাশ হয়। হিটলাৰে সমগ্ৰ বিশ্বক হীন বুলি ভাবি নিজৰ ভৰিৰ তলত ৰাখিব বিচাৰিছিল, কিন্তু শেষত তেওঁ নিজেই এটা অন্ধকাৰ বাংকাৰৰ ভিতৰত আত্মগোপন কৰি শেষ হৈ যাবলগীয়া হ'ল।

ভাৰতীয় মহাকাব্য আৰু পু�ৰাণসমূহতো এই সত্যক অতি সুন্দৰভাৰে চিত্ৰায়িত কৰা হৈছে। মহাকাব্য ৰামায়ণৰ ৰাৱণৰ কথা কোনে নাজানে? তেওঁ আছিল মহাজ্ঞানী, ত্ৰিভুৱন বিজয়ী আৰু শিৱৰ পৰম ভক্ত। কিন্তু তেওঁৰ অহংকাৰ ইমানেই তীব্ৰ আছিল যে ব্ৰহ্মদেৱৰ পৰা অমৰত্বৰ বৰ খোজাৰ সময়ত দেৱ-অসুৰ সকলোকে গণনা কৰিছিল কিন্তু মানুহ আৰু বান্দৰক ইমান হীন বুলি ভাবিছিল যে তেওঁলোকৰ পৰা সুৰক্ষা বিচৰাৰ প্ৰয়োজনবোধ কৰা নাছিল। অৱশেষত তেওঁ আটাইতকৈ তুচ্ছ বুলি ভবা সেই বান্দৰ সেনা আৰু এজন সাধাৰণ বনবাসী মানুহৰ (শ্ৰীৰাম) হাততেই তেওঁৰ বিশাল সাম্ৰাজ্য আৰু অহংকাৰ ধূলিস্যাৎ হৈ পৰিল। একেদৰে স্বৰ্গৰ ৰজা ইন্দ্ৰৰ মনত নিজৰ দেৱত্ব আৰু ক্ষমতাৰ বাবে এক তীব্ৰ অহংমন্যতা গঢ়ি উঠিছিল। তেওঁ গকুলৰ মানুহবোৰক সাধাৰণ গোৱাল বুলি অতি হীনভাবেৰে চাইছিল। যেতিয়া গাঁৱৰ মানুহে ইন্দ্ৰৰ পূজা কৰিবলৈ মান্তি নহ'ল, তেতিয়া ইন্দ্ৰই খঙতে সমগ্ৰ গকুল ধ্বংস কৰিবলৈ ধাৰাসাৰ বৰষুণ আৰু ধুমুহাৰ সৃষ্টি কৰিলে। তেতিয়া শ্ৰীকৃষ্ণই নিজৰ কেঞা আঙুলিৰে গোৱৰ্ধন পৰ্বত দাঙি ধৰি সেই 'হীন' বুলি ভবা গোপ-গোপী আৰু জীৱ-জন্তুবোৰক সুৰক্ষা দিলে। ইন্দ্ৰৰ সমস্ত শক্তি এজন সাধাৰণ গোৱালৰ ৰূপত থকা শ্ৰীকৃষ্ণৰ হাতত ব্যৰ্থ হ'ল। অৱশেষত ইন্দ্ৰই নিজৰ ভুল বুজি পাই স্বৰ্গৰ পৰা নামি আহি সেই গোপবালক শ্ৰীকৃষ্ণৰ চৰণত পৰি ক্ষমা খুজি শৰণাপন্ন হ'বলগীয়া হৈছিল।

আগলৈ...

সুখ বিচাৰি পালোঁ মাথোঁ দুখ



কিশোৰ দাস,বাক্সা আঠিয়াবাৰী

সুখ বিচাৰি সোমালো গৈ
এটি দুখৰ গুহাত !
সুখ বিচাৰি যিমানেই
আগুৱাই যাওঁ
সিমানেই মাথোঁ দুখ পাওঁ।
নাই ক'তো এটি বন্ধ্ৰ
আছে মাথোঁ দুখ বিষাদ।
সুখ বিচাৰি পালোঁ মাথোঁ দুখ
সুখ বিচাৰি মেলিলোঁ
এখনি দুখৰ নদীত নাওঁ।
য'ত দুখৰ অম্বুৰ সোঁত বয়
আছে তাত দুখৰ বালিচন্দা
বিষাদৰ শিলগুটি !
দুখৰ গধুৰতাত
নাওঁ নেযায় আগুৱাই।
সুখ বিচাৰি পালোঁ মাথোঁ দুখ !

ৰঙিলী বার্ত্তা কর্ত্তৃক ড° উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড° উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286